# ধোবাআটী বেলুগুৰি পৰিৱেশ-উন্নয়ন সমিতি

**কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান**

**পূব অসম বন্যপ্ৰাণী সংমণ্ডল, বোকাখাত**

# ক্ষুদ্ৰ পৰিকল্পনা

**(২০১৬-১৭ৰ পৰা ২০২৬-২৭ লৈ)**

**প্ৰস্তুতকৰ্তা**

**ধোবাআটী বেলুগুৰি পৰিৱেশ-উন্নয়ন সমিতি (EDC)**

**সহায়কাৰী**

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

[আই আই ই (IIE), আৰ জি ভি এন (RGVN) আৰু চি এম এল (CML)]

Approved

Divisional Forest Officer
-cum, FIU APFBC Society
E.A.WL. Division, Bokakhat

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত | সম্পূৰ্ণ নাম |
|---|---|
| এ চি এফ (ACF) | সহকাৰী বন সংৰক্ষক (এছিচটেণ্ট কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| এ এফ ডি (AFD) | এজেন্সি ফ্ৰেন্সাইজি ডি ডেভেলপমেণ্ট |
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প<br>(আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰভেচন) |
| এ পি এল (APL) | দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ (এব'ভ প্ৰভাৰ্টী লাইন) |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' প্ৰভাৰ্টী লাইন) |
| চি চি এফ (CCF) | মুখ্য বন সংৰক্ষক (চীফ কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| চি এফ (CF) | বন সংৰক্ষক (কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| চি এম এল (CML) | ক্ষুদ্ৰ বিত্তীয় সাহায্য আৰু জীৱিকা কেন্দ্ৰ ( চেণ্টাৰ ফৰ মাইক্ৰ'-ফাইনেন্স এণ্ড লাইভলিহুড) |
| চি অ' এম পি ই এল অ' (COMPELO) | কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেনচিং লাইভলিহুড অপৰচুনিটিজ |
| ডি চি এফ (DCF) | উপ-বন সংৰক্ষক ( ডেপুটী কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| ডি এফ অ' (DFO) | সাংমণ্ডলিক বন বিষয়া (ডিভিজনেল ফৰেষ্ট অফিচাৰ) |
| ই ডি চি (EDC) | পৰিৱেশ-উন্নয়ন সমিতি (ইক' ডেভেলপমেণ্ট ছ'চাইটী) |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কাৰ্যসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| এফ চি এ (FCA) | বন (সংৰক্ষণ) আইন, ১৯৮১ (ফৰেষ্ট কনজাৰভেচন এক্ট, ১৯৮১) |
| এফ ডি (FD) | বন বিভাগ (ফৰেষ্ট ডিপাৰ্টমেণ্ট) |
| এফ আৰ এ (FRA) | বন অধিকাৰ আইন (ফৰেষ্ট ৰাইট্‌ছ এক্ট) |
| এফ ভি (FV) | বনগাঁও (ফৰেষ্ট ভিলেজ) |
| এফ ৱাই পি (FYP) | পঞ্চবাৰ্ষিক পৰিকল্পনা (ফাইভ য়েৰ্ছ প্লেন) |
| জি এইচ জি (GHG) | সেউজ গৃহ গেছ (গ্ৰীণ হাউছ গেছ) |
| জি অ' আই (GoI) | ভাৰত চৰকাৰ (গভৰ্ণমেণ্ট অব্ ইণ্ডিয়া) |
| জি পি (GP) | গাঁও পঞ্চায়ত |
| এইচ এ (Ha) | হেক্টৰ |
| আই ই চি (IEC) | তথ্য শিক্ষা আৰু যোগাযোগ (ইনফৰমেচন এডুকেশ্যন এণ্ড কমিউনিকেশ্যন) |

| | |
|---|---|
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ) |
| জে এফ এম চি (JFMC) | যৌথ বন প্ৰৱন্ধন সমিতি (জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কমিটী) |
| কাজিৰঙা নেচনেল পাৰ্ক (KAZIRANGA NATIONAL PARK) | কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান |
| কে টি আৰ (KTR) | কাজিৰঙা ব্যাঘ্ৰ ৰিজাৰ্ভ (কাজিৰঙা টাইগাৰ ৰিজাৰ্ভ) |
| এল বি (LB) | লাওখোৱা বুঢ়াচাপৰি |
| এম ডি আৰ (MDR) | প্ৰধান জিলা পথ ( মেজৰ ডিষ্ট্ৰিক্ট ৰোড্‌ছ) |
| এম জি এনৰেগা (MGNREGS) | মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি (মহাত্মা গান্ধী নেচনেল ৰয়েল এমপ্লইমেণ্ট গেৰাণ্টি স্কিম) |
| এম অ' ই এফ চি চি (MoEFCC) | পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় (মিনিষ্ট্ৰী অব্ এনভাইৰ'নমেণ্ট, ফৰেষ্ট এণ্ড ক্লাইমেট চেঞ্জ) |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰষ্টে প্ৰডিউচ) |
| অ' বি চি (OBC) | অন্যান্য পিছপৰা শ্ৰেণী (আদাৰ বেকৱাৰ্ড ক্লাছেছ) |
| অ' ডি আৰ (ODR) | অন্য জিলা পথ (আদাৰ ডিষ্ট্ৰিক্ট ৰোড্‌ছ) |
| পি চি চি এফ (PCCF) | প্ৰধান মুখ্য বন সংৰক্ষক (প্ৰিন্সিপাল চীফ কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| পি এইচ চি (PHC) | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (প্ৰাইমেৰী হেল্‌থ চেণ্টাৰ) |
| পি এম ইউ (PMU) | প্ৰকল্প নিৰীক্ষণ গোট (প্ৰজেক্ট মনিটৰিং ইউনিট) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পাৰ্টিচিপেটৰী ৰুৰেল এপ্ৰাইজেল) |
| আৰ ই ডি ডি + (REDD+) | ৰিডিউচিং ইমিছন ফ্ৰম ডি-ফৰেষ্টচন এণ্ড ফৰেষ্ট ডিগ্ৰেডেছন প্লাছ |
| আৰ জি ভি এন (RGVN) | ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি |
| আৰ অ' (RO) | বনাঞ্চলিক বিষয়া ( ৰেঞ্জ অফিচাৰ) |
| এছ চি (SC) | অনুসূচিত জাতি (ছিডিউল কাষ্ট) |
| এছ ডি জি (SDG) | বহনক্ষম উন্নয়ন লক্ষ্য (ছাছটেইনেবল ডেভেলপমেণ্ট গ'ল্‌ছ) |
| এছ এল এফ (SLF) | বহনক্ষম জীৱিকা গঠন (ছাছটেইনেবল লাইভলিহুড ফ্ৰেমৱৰ্ক) |
| এছ পি পি (Spp) | স্পেচিছ |
| এছ টি (ST) | অনুসূচিত জনজাতি (ছিডিউল ট্ৰাইব) |
| এছ ডব্লিউ অ' টি (SWOT) | সবলতা, দুৰ্বলতা, সুবিধা আৰু শংকা ( ষ্ট্ৰেংথ, উইৰকনেছ, অ'পৰচুনিটি এণ্ড থ্ৰেট) |
| টি ভি (TV) | ট্যাংগা গাঁও |
| টি ভি (TV) | টেলিভিছন |
| ডব্লিউ এল এছ (WLS) | বন্যপ্ৰাণী অভয়াৰণ্য (ৱাইল্ড লাইফ ছেংচুৰী) |
| ডব্লিউ পি এ (WPA) | বন্যপ্ৰাণী (সংৰক্ষণ) আইন, ১৯৭২ (ৱাইল্ডলাইফ (প্ৰ'টেকচন) এক্ট-১৯৭২) |
| ডব্লিউ পি চি (WPC) | কৰ্মসূচী চক্ৰ (ৱৰ্কিং প্লেন চাৰ্কোল) |

# গছ, জোপোহা গছ, ঘাঁহ-বন-লতা আদিৰ স্থানীয় আৰু বৈজ্ঞানিক নাম

## গুল্ম

| | | |
|---|---|---|
| ১ | হাত-থেংগা | কাছিয়া অ'ক্সিডেণ্টালিছ লিন্ |
| ২ | এৰাগছ | ৰিচিনাচ'ম মিউনিছ লিন্ |
| ৩ | পানী ভোটোৰা | ইপ'মায়েয়া কর্ণিয়া জেক |
| ৪ | শন বৰলুৰা বা ছেকামৰা | উৰেনালোব'টা লিন্ |
| ৫ | দীঘলতী | লিটছায়েয়া ছোলছিফ'লিয়া ৰক্সবি |
| ৬ | মাখিলতী | ফ্লেমিঙ্গিয়া ষ্ট্ৰবিলিফেৰা আৰ বিআৰ |
| ৭ | হৰুমইন | ফেগেৰলেণ্ডিয়া ফেচিকুলাট টিৰুভ |
| ৮ | আবু টেঙা | এণ্টিডেছমা এচিডাম ৰেট্জ্ |
| ৯ | ভেট তিতা | ছোলানাম টোৰভাম ছোৱাৰ্ট্জ্ |
| ১০ | আগৰ | জান্থিয়াম ষ্ট্ৰুমাৰিয়াম লিন্ |

## ভেষজ উদ্ভিদ

| | | |
|---|---|---|
| ১ | মাটি কদুৰি | অলটাৰমেন্থাৰা ছেছিলছ (এল) বি আৰ |
| ২ | খুতুৰা | আমাৰান্থাছভিৰ্ডিছ লিন |
| ৩ | জম-লাখুটি | ক'ষ্টাছ স্পেচিয়াছ এছএম |
| ৪ | কণা শিমলু | কাম্মে লিনা ডিফুছা বৰুণ এফ |
| ৫ | হেলেচি | এনহাইড্ৰফ্লাক্টুৱানছ লুৰ |
| ৬ | বৰ মানিমুনি | হাইড্ৰক'টিলি এছিয়াটিক লিন্ |
| ৭ | সৰু মানিমুনি | হাইড্ৰক'টিলেছিব থৰ্পিঅ'ইডেছ লিম্‌ক্ |
| ৮ | ডোৰোণ শাক | লিকাছলানাটা |
| ৯ | টেঙেচি | মাৰ্ছিলিকুৱাড্ৰিফ'লিয়া |
| ১০ | লাজুকীলতা | মিমোছা পুডিনা লিন্ |
| ১১ | বন ধনীয়া | ৰেনানকুলাচেলেৰেটোছ লিন্ |

## বাঁহ আৰু বেত ঃ

| | | |
|---|---|---|
| ১ | ভলুকা বাঁহ | বেম্বুছাবালকুৱা ৰক্স এল |
| ২ | বিজুলী বাঁহ | বেম্বুছাটুল্ডা ৰক্স বি |
| ৩ | কঁটাবাঁহ | বেম্বুছা আৰুণ্ডিনাচিয়া ওৱাইল্ড |
| ৪ | জাতি বাঁহ | বেম্বুছান্যুটানছ উইলিচ |
| ৬ | জাতি বেত | কেলামাছ টেনুইন |

**ঘাঁহ-বন-লতা**

| ক্ৰমিক নম্বৰ | স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|---|
| ১ | কুঁৱৰী-মণি | কইক্স লেক্রিমা. লিন |
| ২ | কেঞাবন | কলেৰিয়া ব্ৰেভিফলিয়া (বনৰীয়া) স্প্ৰেং |
| ৩ | লকচাবন | হেমাৰ্থীয়া কম্প্ৰেছা. (লিন.এফ) আৰ.ব্ৰ |
| ৪ | এৰালিবন | লেৰ্ছিয়া হেক্সান্দ্ৰা স্বাৰ্টজ |
| ৫ | ইকৰা | ফ্ৰেগমাইট্ছ কাক্ৰা.(ৰেট্জ).ট্ৰিন |
| ৬ | উলুখেৰ | ইম্পেৰেটা চিলিন্ড্ৰিকা.(লিন)পি.বিঅ'ভ. |
| ৭ | সোণখেৰ | প'লিনিয়া চিলাটা.ট্ৰিন. |
| ৮ | দল | আৰুণ্ডু ড'নাক্স.লিন |
| ৯ | বিৰিণা | এৰিয়ান্থাছ ৰেভেনি(লিন)পি.বিঅ'ভ. |
| ১০ | দূৰৰিবন | চাইনোডন ডক্টিলন পে'ৰ্ছ. |

# ধোবাআটী বেলুগুৰি পৰিৱেশ-উন্নয়ন সমিতি
# কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান,
# পূব অসম বন্যপ্ৰাণী সংমণ্ডল, বোকাখাত

## ক্ষুদ্ৰ পৰিকল্পনা
## (২০১৬-১৭ৰ পৰা ২০২৬-২৭ লৈ)
## জীৱিকা উন্নয়ন আঁচনি আৰু বন উন্নয়ন পৰিকল্পনা

## সূচীপত্ৰ


| শাখা নং | শীৰ্ষক | পৃষ্ঠা নং |
|---|---|---|
| | **অধ্যায় - এক** | |
| ১ | পৰিচয় | |
| ২ | এলেকাটোৰ সাধাৰণ বৰ্ণনা | |
| ৩ | গাঁৱৰ আৰ্থ-সামাজিক অৱস্থা | |
| ৪ | জীৱিকাৰ সম্পদ আৰু স্পৰ্শকাতৰতা | |
| ৫ | উপলব্ধ আঁচনি আৰু কাৰ্যসূচী | |
| | **অধ্যায় - দুই** | |
| ৬ | ক্ষুদ্ৰ পৰিকল্পনাৰ উদ্দেশ্য, সবলতা, দুৰ্বলতা, সুযোগ আৰু শংকা আৰু দূৰত্ব বিশ্লেষণ | |
| ৭ | গাঁও উন্নয়ন পৰিকল্পনা | |
| ৮ | জীৱিকা উন্নয়ন পৰিকল্পনা | |
| ৯ | বন উন্নয়ন পৰিকল্পনা | |
| ১০ | প্ৰয়োগৰ কৌশল, সময়সীমা আৰু বাজেট | |
| | **অধ্যায় - তিনি** | |
| | তালিকা, মানচিত্ৰ আৰু পৰিশিষ্ট | |




Divisional Forest Officer
-cum, FIU APFBC Society
E.A.W.L. Division, Bokakhat

# ধোবাআটী বেলুগুৰি পৰিৱেশ-উন্নয়ন সমিতি
## কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, পূব অসম বন্যপ্ৰাণী সংমণ্ডল
## বোকাখাত

## ক্ষুদ্ৰ পৰিকল্পনা
## (২০১৬-১৭ৰ পৰা ২০২৬-২৭ লৈ)

## অধ্যায় - এক

## ১। পৰিচয়

### ১.১ প্ৰকল্পটো সম্পৰ্কে

আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰচিটী কনজাৰভেচন (এ পি এফ বি চি)ৰ উদ্দেশ্য হৈছে— 'নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীলি জনগোষ্ঠীসমূহৰ অংশগ্ৰহণেৰে আৰু বনজ আৰু অনা-বনজ সম্পদৰ বহনক্ষম ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত বহুমুখী সংহত পৰিকল্পনাৰে অসমত বহনক্ষম বন আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণ আৰু প্ৰৱন্ধনৰ ব্যৱস্থা কৰা।' প্ৰকল্পটোৰ লক্ষ্য হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ সহায়ত তেওঁলোকৰ জীৱিকাৰ ব্যৱস্থা কৰি আৰু জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু বহনক্ষম ব্যৱহাৰ সুনিশ্চিত কৰি বনাঞ্চলৰ পৰিৱেশতন্ত্ৰ ৰক্ষা কৰা।'

এই প্ৰকল্পটোলৈ আৰ্থিক অনুদান আগবঢ়াইছে এজেন্সী ফ্ৰান্সিজ ডি ডেভেলপমেণ্ট অৰ্থাৎ ফ্ৰান্স ডেভেলপমেণ্ট এজেন্সীয়ে। সহযোগ কৰিছে অসম চৰকাৰে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু প্ৰৱন্ধনকে ধৰি সকলো কামৰ দায়িত্বত আছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইৰভাৰ্চিটী কনজাৰভেচন ছ'চাইটী।

### ১.২ ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন

মূল্য সংযোজিত বজাৰ সম্ভাৱনীয়তাৰ জৰিয়তে জীৱিকা বাছনিত উৎসাহিত কৰাৰ বাবে প্ৰকল্পটোত উদ্যমিকা বিকাশ, সামগ্ৰী সংশাধনেৰে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ ওপৰত ভিত্তি কৰি উপলব্ধ বনজ আৰু জৈৱ বৈচিত্ৰ্য উৎপাদন আৰু সেৱাত মূল্য সংযোজনৰ বিকাশ ঘটোৱাটো প্ৰয়োজন। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে জনগোষ্ঠীৰ সদস্যসকলৰ দক্ষতা গঢ়ি তোলা দৰকাৰ।

উক্ত প্ৰকল্পৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা বিকাশৰ আঁচনি ৰূপায়ণৰ বাবে ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰেনিয়ৰশ্বিপ (আই আই ই) গুৱাহাটী, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন) আৰু চেণ্টাৰ ফৰ মাইক্ৰ'ফাইনেন্স এণ্ড লাইভলিহুড ডেভেল'পমেণ্টৰে এক মহাজোঁট গঠন কৰা হৈছে। এই মহাজোঁটক ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধি (কনছালটিং ছাৰ্ভিচ ফৰ মাইক্ৰ' প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)ৰ বাবে গঠিত মহাজোঁট চমুকৈ কম্পেল' হিচাপে নামকৰণ কৰা হৈছে।

প্ৰকল্পটোৰ নিৰ্দেশনা মতে, এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছ 'গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান... বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাত সহায় কৰা আৰু বহনক্ষম বন প্ৰৱন্ধন এক বহল উদ্দেশ্য কৰি ৰখা।' ইয়াত অন্তৰ্ভুক্ত হৈ আছে বন উন্নয়ন আৰু জীৱিকা উন্নয়ন।

### ১.৩ দোবাআটী বেলুগুৰি পৰিৱেশ-উন্নয়ন সমিতি (ই ডি চি)ৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা

অসম গোলাঘাট জিলাত অৱস্থিত ধোবাআটী বেলুগুৰি ই ডি ৰি বাবে ক্ষুদ্ৰ পৰিকল্পনা এই নথিত সন্নিৱিষ্ট কৰা হৈছে। এই ই ডি চি পূব অসম বন্যপ্ৰাণী সংমণ্ডলৰ অধীনস্থ। জনগোষ্ঠীটোৰ পৰিচয় পৰৱৰ্তী খণ্ডত দিয়া হৈছে।

## ২। অঞ্চলৰ সাধাৰণ বিৱৰণ

### ২.১ সাধাৰণ বিৱৰণ

এশিঙীয়া গঁড়ৰ বাবে কাজিৰঙা জগত বিখ্যাত। ৪২৯.৯৩ বৰ্গকিলোমিটাৰ এলেকাজুৰি বিস্তৃত হৈ আছে কাজিৰঙা। মূল এলেকাৰ লগত ৪৫৪.৫০ বৰ্গকিলোমিটাৰ এলেকা অতিৰিক্ত সংযোজন কৰা হৈছে। ১৯০৫ চনতে লিখা হৈছিল কাজিৰঙাৰ বুৰঞ্জী। লিখিছিল ভাৰতবৰ্ষৰ ভাইচৰয় লৰ্ড কাৰ্জন আৰু তেওঁৰ পত্নী লেডী কাৰ্জনে। ১৯০৮ চনৰ জুনত ইয়াক প্ৰথমে সংৰক্ষিত বনাঞ্চল ঘোষণা কৰা হৈছিল। পৰ্যায়ক্ৰমে কাজিৰঙাক ১৯১৬ চনত ক্ৰীড়া অভয়াৰণ্য, ১৯৫০ চনত বন্যপ্ৰাণী অভয়াৰণ্য, ১৯৭৪ চনত ৰাষ্ট্ৰীয় উদ্যানলৈ আৰু শেষত ২০০৭ চনত ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চললৈ উন্নীত কৰা হয়। ১৯৮৫ চনত কাজিৰঙাক বিশ্ব ঐতিহ্য ক্ষেত্ৰও ঘোষণা কৰা হয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বোকাখাতৰ পৰা ৮ কিলোমিটাৰ দূৰৈত আৰু অসমৰ ৰাজধানী গুৱাহাটীৰ পৰা ২৩০ কিলোমিটাৰ দূৰৈত কাৰ্বি পাহাৰৰ নামনিত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে অৱস্থিত। কাজিৰঙাৰ দক্ষিণ সীমাৰ এটা অংশৰে পৰা হৈ গৈছে ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ। অসম ট্ৰাংক ৰোড নামেৰে পৰিচিত ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ (বৰ্তমান ৭১৫নং ৰাষ্ট্ৰীয় ঘাইপথ) পাৰ হৈ যোৱা মজলীয়া আকাৰৰ চহৰ বোকাখাতত আছে কাজিৰঙা ব্যাঘ্ৰ প্ৰকল্পৰ মুখ্য কাৰ্যালয়। বোকাখাত গুৱাহাটীৰ পৰা পূবে ২৩৯ কিলোমিটাৰ দূৰৈত অৱস্থিত। সমীপৱৰ্তী আন দুখন চহৰ হৈছে পূবে ৭০ কিলোমিটাৰ দূৰৈত ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথত থকা যোৰহাট আৰু দক্ষিণ-পূবে ৫৩ কিলোমিটাৰ দূৰৈত ৩৯নং ৰাষ্ট্ৰীয় ঘাইপথ (বৰ্তমান ১২৯নং ৰাষ্ট্ৰীয় ঘাইপথ)ত থকা গোলাঘাট। উত্তৰপাৰত থকা প্ৰধান চহৰ হৈছে বোকাখাতৰ পৰা ১০০ কিলোমিটাৰ দূৰৈত থকা তেজপুৰ। ২০০১ চনৰ লোকপিয়লমতে বোকাখাত মহকুমাৰ জনসংখ্যা হৈছে ১,৪১,৫০২গৰাকী। বোকাখাত নগৰৰ জনসংখ্যা ২০০১ চনৰ লোকপিয়লমতে ৮,৮৪৪গৰাকী।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ৫টা সংমণ্ডল আছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিসীমাত ৩০টা ই ডি চি আছে আৰু ৪০০খন সীমামূৰীয়া গাঁও আছে।

### ২.২ অৱস্থিতি

কাজিৰঙাৰ অক্ষ্যাংশ হ'ল ২৬°৩০/ ৰ পৰা ২৬°৪৫/ উত্তৰ আৰু দ্ৰাঘিমাংশ হ'ল ৯৩°০৫/ ৰ পৰা ৯৩°৪০/ পূব। আনহাতে, কাজিৰঙা ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল ২৬°২৮/ ৰ পৰা ২৬°৪৯/ উত্তৰ অক্ষ্যাংশ আৰু ৯২°৩৬/ ৰ পৰা ৯৩°৪২/ পূব দ্ৰাঘিমাংশৰ মাজত অৱস্থিত। ২০০৭ চনত জাৰি কৰা জাননীমতে কাজিৰঙা ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল গোলাঘাট, নগাঁও আৰু শোণিতপুৰ জিলাৰ ১,০৫৫.৮৯৪৫৪ বৰ্গকিলোমিটাৰ এলেকাজুৰি বিস্তৃত হৈ আছে। পৰিশিষ্ট-Iত অৱস্থিতিৰ মানচিত্ৰ আৰু পৰিশিষ্ট-IIত ই ডি চিলৈ যাব পৰা পথৰ মানচিত্ৰ দিয়া হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বুঢ়াপাহাৰ বনাঞ্চলিকত উন্নয়নৰ বাবে আমগুৰি চাংগাঁও পৰিৱেশ উন্নয়ন সমিতি গঠন কৰা হৈছে।

### ২.৩ মাটি

কাজিৰঙাৰ সমতল ভূমি চাপৰি আৰু বানে ধোৱা সমতলৰ সংমিশ্ৰণত গঠিত। অঞ্চলটোৰ মাটি বানপানীৰ বাবে যথেষ্ট সাৰুৱা। প্ৰাকৃতিকভাৱে কাজিৰঙাৰ মাটি মটীয়া বৰণৰ বোকা আৰু মধ্যম আকৃতিৰ বালিকণাৰে গঠিত আৰু বৰ্তমান ইয়াৰ মাটি নৈৰ বোকা আৰু পলসেৰে সংমিশ্ৰিত। অঞ্চলটোৰ আন এক বৈশিষ্ট্য হ'ল ইয়াত যথেষ্ট পৰিমাণৰ বিল দেখা যায়। ব্ৰহ্মপুত্ৰ নদী উত্তৰ সীমাৰ পৰা বৈ আহি ইয়াত যথেষ্ট পৰিমাণৰ চৰ-চাপৰিৰো সৃষ্টি কৰিছে। এই চৰ-চাপৰিসমূহ দুই প্ৰকাৰৰ— স্থায়ী আৰু অস্থায়ী। উদ্যানখন যথেষ্ট পৰিমাণৰ বিল আৰু জলাশয়ৰ সমষ্টি। যাক এখন সেউজীয়া আৱৰণে ঢাকি ৰাখিছে। অৱশ্যে অঞ্চলভেদে ইয়াৰ মাটিৰ প্ৰকাৰ বেলেগ বেলেগ হোৱা দেখা যায়। যেনে বালিচহীয়া, আলতীয়া, পলসুৱা আদি বিভিন্ন প্ৰকাৰৰ মাটিৰ বৈশিষ্ট্য এই অঞ্চলটোত দেখা যায়।

## ২.৪ পানী

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক উত্তৰে ব্ৰহ্মপুত্ৰ নদী আৰু দক্ষিণে মৰা ধনশিৰি, ডিফলু আৰু মৰা ডিফলুৱে আগুৰি আছে। কাজিৰঙাত জীৱিত আৰু মৃত নদীৰ এটা জটিল নেটৱৰ্ক আছে আৰু শতাধিক সৰু-ডাঙৰ বিল আছে। কেইখনমান উল্লেখনীয় বিল হৈছে ছহলা (পূব সংমণ্ডলত), মিহিবিল, বৰবিল, হনুমান বিল (মধ্য সংমণ্ডলত ), ৰৌমাৰী বিল, ডোঙা বিল, বৰবিল, ডফলাং বিল (পশ্চিম সংমণ্ডলত), পতাহি বিল (বুঢ়াপাহাৰ সংমণ্ডলত)।

## ২.৫ জলবায়ু ঃ উষ্ণতা আৰু বৃষ্টিপাত

গ্ৰীষ্মকালত সৰ্বাধিক তাপমাত্ৰা ৩৫° ডিগ্ৰী চেলচিয়াছ। শীতকালত সৰ্বনিম্ন তাপমাত্ৰা ৬ ডিগ্ৰী চেলচিয়াছ।

বাৰ্ষিক বৃষ্টিপাত প্ৰায় ১,৯৬০ মিলিমিটাৰ। দুই-তৃতীয়াংশ বৃষ্টিপাত হয় বাৰিষাকালত (জুন-ছেপ্টেম্বৰ)। বাৰিষাৰ সময়ত আৰ্দ্ৰতা বেছি হয় (৯০ শতাংশৰ অধিক) আৰু শীতকালত কম হয় (৩০ শতাংশৰ কম)।

## ২.৬ পৰিৱেশতন্ত্ৰ আৰু জৈৱ বৈচিত্ৰ্য

কাজিৰঙাৰ মুঠ এলেকাৰ ৫ শতাংশ স্থায়ীভাৱে বিল আৰু জান-জুৰিয়ে আগুৰি আছে। বাৰিষাৰ সময়ত পানীৰে আগুৰা এলেকা বৃদ্ধি পায়। কিছু উপঙি থকা ঘাঁহ-বন আৰু জলজ উদ্ভিদ এই বিলবোৰত গজে। প্ৰধান ঘাঁহ হৈছে ইৰালি (এণ্ড্ৰ'প'গ'নছ্প)। অন্য জলজ উদ্ভিদ হৈছে কলমৌ (ইপ'মিয়েৰেপানছ), হেলচি (এনহাইড্ৰাফ্লুক্টুৱান্‌ছ), বৰপুণী (পিচটিয়াছট্ৰাফিঅ'ল্‌ছ), সৰুপুণী (লেমনাপানচিঅ'ষ্টাতা) আদি। এনে জলজ উদ্ভিদৰ উপৰি বিলবোৰত ইকৰা, নল, খাগৰি আদিও থাকে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ৩৮বিধ স্তন্যপায়ী জীৱ, ৫৫৩বিধ চৰাই, ৪২বিধ উভচৰ প্ৰাণী, ৫৫০বিধ উদ্ভিদ (তাৰ ভিতৰত ১০৬বিধ উদ্ভিদ বিৰল আৰু বিলুপ্তপ্ৰায়)। কাঞ্চনজুৰি, বিমলি, কাঠপাৰা, ৰঙামটীয়া আদি অঞ্চলৰ ওচৰত থকা হাবিত ভালুক (মেলাৰ্চুৰচিনাছ) পোৱা যায়। কিন্তু প্ৰাকৃতিক স্বভাৱৰ বাবে সিহঁতে সঘনাই দেখা নিদিয়ে। উদ্যানখনত ৪০-৫০টামান ভালুক আছে। উদ্যানখনৰ কাঞ্চনজুৰি আৰু পাণবাৰীৰ সমীপৰ হাবিত হলৌ বান্দৰ (হাইল'বৈতছহ'লক) পোৱা যায়। টুপীমূৰীয়া বান্দৰ (প্ৰিচবাইটছপিলিটাছ)ও এই ঠাইবোৰত দেখা যায়। ১৯৯৯ চনত কৰা গণনামতে উদ্যানখনত ১৩৯টা টুপীমূৰীয়া বান্দৰ পোৱা গৈছিল। বিখ্যাত এশিঙীয়া গঁড়ৰ প্ৰধান বসতিস্থল কাজিৰঙা। ১৯৫৭, ১৯৬১, ১৯৬৩ চনত কাজিৰঙাত গঁড়ৰ সংখ্যা গণনাৰ চেষ্টা কৰা হৈছিল। কিন্তু এই পদ্ধতি আছিল অতিশয় বিপজ্জনক আৰু ইয়াৰ জৰিয়তে কেৱল গঁড়ৰ সংখ্যাহে নিৰূপণ কৰিব খোজা হৈছিল। এই গণনামতে কাজিৰঙাত গঁড়ৰ সংখ্যা ২৫০-৩০০টাৰ ভিতৰত আছিল। পদ্ধতিগত আৰু বিস্তৃত গঁড়ৰ গণনা ১৯৬৬, ১৯৭২, ১৯৭৮, ১৯৮৭, ১৯৯১, ১৯৯৩, ১৯৯৯, ২০০৫, ২০০৯ আৰু ২০১২ চনত কৰা হৈছিল। ২০১৩ চনত গঁড়ৰ এক বিশেষ গণনা কাৰ্যসূচী চলোৱা হয়। শেহতীয়া তথ্যমতে কাজিৰঙাত গঁড়ৰ সংখ্যা বৃদ্ধি পাইছে। ১৯৬৬ চনত ৩৬৬টা গঁড়ৰ বিপৰীতে ২০১৫ চনত ২,৪০১টা গঁড়ৰ তথ্য লিপিবদ্ধ কৰা হয়। কিন্তু চোৰাং চিকাৰীৰ উপদ্ৰৱৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত গঁড় জীয়াই থকাত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত যথেষ্ট সংখ্যক এছীয় হাতী পোৱা যায়। হাতী পৃথিৱীৰ অন্যতম বৃহৎ স্তন্যপায়ী জীৱ। ২০১১ চনৰ সমীক্ষামতে কাজিৰঙাত হাতীৰ সংখ্যা ২০০৫ চনৰ ১,২৪৬টাৰ পৰা ১,১৬৫টালৈ হ্ৰাস পায়।

২.৭ **কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ প্ৰত্যাহ্বান ঃ**

**মাছমৰা ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বিভিন্ন প্ৰকাৰৰ মাছ পোৱা যায়। কাজিৰঙাত মাছমৰা এক পৰম্পৰাগত প্ৰক্ৰিয়া আৰু উদ্যানখনৰ সীমামূৰীয়া গাঁৱৰ বাসিন্দাই বিলসমূহত, বিশেষকৈ ৩নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ বিলত মাছমৰা দেখা যায়।

**উলুখেৰ সংগ্ৰহ ঃ** উদ্যানৰ সীমামূৰীয়া গাঁৱৰ গাঁওবাসীয়ে বাধা নিষেধ নেওচি ডিচেম্বৰৰ পৰা মাৰ্চ পৰ্যন্ত উলুখেৰ সংগ্ৰহ কৰে। গাঁওবাসীয়ে ঘৰৰ ছাল বনাবলৈ এই খেৰ ব্যৱহাৰ কৰে। কোনোৱে এই খেৰ বিক্ৰী কৰি জীৱিকাৰ বাট মোকলায়।

**খহনীয়া ঃ** ব্ৰহ্মপুত্ৰ নদীৰ বানপৃষ্ঠ এলেকাত থকা বাবে প্ৰতিবছৰে কাজিৰঙা বানপানীত আক্ৰান্ত হয়। বানপানীয়ে কাজিৰঙা আৰু ইয়াৰ কাষৰীয়া এলেকাত ব্যাপক খহনীয়াৰ সৃষ্টি কৰিছে। খহনীয়া কাজিৰঙাৰ জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ ক্ষেত্ৰত বৃহৎ প্ৰত্যাহ্বান। বহু গৱেষকে কাজিৰঙাৰ খহনীয়া সমস্যাক লৈ অধ্যয়ন কৰিছে। জে এন শৰ্মাৰ মতে খহনীয়াত আক্ৰান্ত হোৱা কাজিৰঙাৰ এলেকাৰ হিচাপ এনেধৰণৰ—

| বছৰ/সময় | হেৰুওৱা এলেকা (বৰ্গকিঃমিঃ) | যোগ হোৱা এলেকা (বৰ্গকিঃমিঃ) |
|---|---|---|
| ১৯১২-১৯১৬ৰ পৰা ১৯৭২ লৈ | ৮৪.৮৭ | ২৪.৪৯ |
| ১৯৭২ৰ পৰা ১৯৯৮ লৈ | ৪৪.৭০ | ২৯.৪৭ |
| ১৯৯৮ৰ পৰা ২০০৮ লৈ | ২০.৪১ | ৭.৮ |
| **সৰ্বমুঠ** | **১৪৯.৯৮** | **৬০.৮৫** |

**চোৰাং চিকাৰ ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাবে প্ৰধান ভাবুকি হৈছে চোৰাং চিকাৰ। চোৰাং চিকাৰীৰ মূল লক্ষ্য হৈছে গঁড়। বাঘৰ চিকাৰো মাজে মাজে সংঘটিত হয়। অন্য জন্তু আৰু সৰিসৃপবোৰকো চোৰাং চিকাৰীয়ে লক্ষ্য কৰি লয়। চীনা ঔষধ আৰু অন্যান্য পৰম্পৰাগত ঔষধত জন্তুৰ অংগবোৰ ব্যৱহাৰ কৰা হয়।

## ৩। গাঁৱৰ আৰ্থ-সামাজিক পৰিচয় আৰু পৰিৱেশ-উন্নয়ন সমিতি (ই ডি চি)ৰ পৰিচয়

### ৩.১ মূল তথ্য

ধোবাআটী বেলুগুৰি গোলাঘাট জিলাত অৱস্থিত আৰু এখন ৰাজহ গাঁও। কাৰ্যালয়ত ২০০২ চনৰ ১০ ছেপ্টেম্বৰত ই ডি চিখন পঞ্জীয়ন কৰা হৈছিল। (পৰিশিষ্ট ঃ IIৰ পঞ্জীয়ন প্ৰমাণ পত্ৰ অনুসৰি)

ই ডি চিখনৰ মূল তথ্যসমূহ হৈছে—

**তালিকা— ক ঃ পৰিৱেশ-উন্নয়ন সমিতিখনৰ মূল তথ্য**

| | |
|---|---|
| ই ডি চিৰ নাম | ধোবাআটী বেলুগুৰি |
| গাঁও পঞ্চায়ত/ ভি চি ডি চিৰ নাম | বোকাখাত |
| ৰাজহ চক্ৰ | কলিয়াবৰ |
| জিলা | গোলাঘাট |
| বন সংমণ্ডল | বোকাখাত |
| বন আঞ্চলিক | অগৰাতলি |
| স্থাপনৰ বৰ্ষ | ২০০২ |
| পঞ্জীয়ন নম্বৰ | KNP/ELWL/16/2002 |
| ই ডি চিৰ চাৰিসীমাৰ বিৱৰণ | উত্তৰ ঃ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান<br>দক্ষিণ ঃ দুই নং বহিখোৱা মিচিং গাঁও<br>পশ্চিম ঃ অগৰাতলি বনাঞ্চলিক<br>পূব ঃ ধনশিৰিমুখ হাইস্কুল |

উৎস ঃ ই ডি চিৰ তথ্য আৰু ২০১৭ চনৰ এপ্ৰিল পি আৰ এৰ সময়ত হোৱা আলোচনা।

## ৩.২ কার্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৰৰণ

তলৰ তালিকাত ই ডি চিখনৰ কাৰ্যকৰী সমিতি আৰু সাধাৰণ সমিতিৰ বিস্তৃত বিৰৰণ দিয়া হৈছে। (পৰিশিষ্ট-IV— ই ডি চি সদস্যৰ চহীৰ তালিকা, পৰিশিষ্ট-V— ই ডি চি সদস্যৰ যৌথ আলোকচিত্ৰ)

**তালিকা-খ ঃ কাৰ্যকৰী সমিতিৰ বিতং বিৰৰণ**

| ক্ৰঃ নং | নাম | বয়স | শিক্ষাগত অৰ্হতা | ঠিকনা | যোগাযোগ | পদবী |
|---|---|---|---|---|---|---|
| ১ | মঞ্জিল পেগু | ৩০ | উচ্চতৰ মাধ্যমিক | পিতৃ ঃ অতুল পেগু<br>ধুবাতি বেলুগুৰি | ৮৪৭১৮৬৯৩২২ | সভাপতি |
| ২ | ধৰণীধৰ বড়া | ৫২ | স্নাতক | ডি এফ অ' কাৰ্যালয় | ৯৯৫৪৯২৭৯৪৩ | সদস্য সচিব |
| ৩ | হিয়াৰাম কুটুম | ৩৮ | স্নাতক | পিতৃ ঃ পোৰালি কুটুম<br>ধুবাতি বেলুগুৰি | ৭৮৯৬৩৯১৭৫০ | সদস্য |
| ৪ | ধৰ্মকান্ত দলে | ৪০ | মেট্ৰিক উত্তীৰ্ণ | ধুবাতি বেলুগুৰি | | সদস্য |
| ৫ | মনেই দলে | ৪৭ | মেট্ৰিক উত্তীৰ্ণ | পিতৃ ঃ তুলা দলে<br>ধুবাতি বেলুগুৰি | ৯৮৫৪৮৫৫৭১৬ | সদস্য |
| ৬ | বিশ্বজিৎ কুটুম | ৩০ | মেট্ৰিক উত্তীৰ্ণ | পিতৃ ঃ নিমাই কুটুম<br>ধুবাতি বেলুগুৰি | ৮৭৬১৮৫২৯২৩ | সদস্য |
| ৭ | অনুমতী ছুনকুৰাং | ৪০ | পঞ্চম উত্তীৰ্ণ | পিতৃ ঃ গণেশ ছানকুৰাং<br>ধুবাতি বেলুগুৰি | | সদস্য |
| ৮ | ক্ষমা পাটগিৰি | ৪২ | পঞ্চম উত্তীৰ্ণ | পিতৃ ঃ ৰেমজান পাটগিৰি<br>ধুবাতি বেলুগুৰিআটী | | সদস্য |
| ৯ | হুনু পেগু | ৪৮ | পঞ্চম উত্তীৰ্ণ | স্বামী ঃ বুদ্ধিৰাম পেগু<br>ধুবাতি বেলুগুৰি | | সদস্য |
| ১০ | বান্দৌ দলে | ৫৬ | পঞ্চম উত্তীৰ্ণ | স্বামী ঃ নখৰাম দলে<br>ধুবাতি বেলুগুৰি | | সদস্য |
| ১১ | কমল পেগু | ৪৮ | পঞ্চম উত্তীৰ্ণ | পিতৃ ঃ বিমলি পেগু<br>ধুবাতি বেলুগুৰি | | সদস্য |
| ১২ | ৰাজু ছানকুৰাং | ৫০ | পঞ্চম উত্তীৰ্ণ | পিতৃ ঃ জংগলী ছানকুৰাং<br>ধুবাতি বেলুগুৰি | | সদস্য |
| ১৩ | উদয় ভাস্কৰ পাটগিৰি | ৩৮ | উঃ মাঃ উত্তীৰ্ণ | পিতৃ ঃ হলিৰাম পাটগিৰি<br>ধুবাতি বেলুগুৰি | | সদস্য |
| ১৪ | পিজিং পেগু | ৩৮ | পঞ্চম উত্তীৰ্ণ | পিতৃ ঃ ফুহেশ্বৰ পেগু<br>ধুবাতি বেলুগুৰি | | সদস্য |
| ১৫ | দীন মুণ্ডা | ৪৫ | পঞ্চম উত্তীৰ্ণ | বেলুগুৰিআটী গাঁও | | সদস্য |

উৎস ঃ ই ডি চি অভিলেখ

## ৩.৩ পৰিয়াল আৰু জনসংখ্যা গাঁথনি

গাঁওখনত মুঠ ১৬৩টা পৰিয়াল আছে। ইয়াৰে ১৪৯টা পৰিয়ালৰ সমীক্ষা কৰা হৈছে। সমীক্ষা প্ৰতিবেদন অনুসৰি ৯৭টা পৰিয়াল দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰে।

**তালিকা— গ ঃ জনগাঁথনিক চিত্ৰ**

জনগাঁথনি

| জাতি/গোষ্ঠী | পৰিয়াল | পুৰুষ | মহিলা | মুঠ |
|---|---|---|---|---|
| অ' বি চি | ১ | ৫ | ২ | ৭ |
| এছ টি | ১০৪ | ২৫৩ | ২২২ | ৪৭৫ |
| এছ চি | ২৭ | ৬৭ | ৫৮ | ১২৫ |
| সংখ্যালঘু | ৬ | ১৩ | ১০ | ২৩ |
| অন্যান্য | ২৬ | ৬৭ | ৬৮ | ১৩৫ |
| মুঠ | ১৬৪ | ৪০৫ | ৩৬০ | ৭৬৫ |

সমীক্ষা কৰা ১৬৮টা পৰিয়ালৰ মুঠ জনসংখ্যা ৭৬৫জন। ইয়াৰে ৪০৫জন পুৰুষ আৰু বাকীসকল মহিলা। মুঠ জনসংখ্যাৰ ২৭টা এছ চি, ১০৪টা এছ টি, এটা অ' বি চি, ৬টা সংখ্যালঘু আৰু ২৬টা অন্যান্য শ্ৰেণীৰ পৰিয়াল আছে। ইয়াৰ পৰা আমি ক'ব পাৰোঁ যে—

(১) এটা পৰিয়ালত থকা জনসংখ্যা গড়ে ৫গৰাকী।

(২) গাঁওখনৰ লিংগ অনুপাতে হৈছে প্ৰতি ১০০০জন পুৰুষ বিপৰীতে ৮৮৮গৰাকী মহিলা।

**তালিকা— ঘ ঃ বয়সৰ বিবিধতা চিত্ৰ**

| বয়স শ্ৰেণী | ৫ বছৰতকৈ কম | ৫-১৮ বছৰ | ১৮-৪৫ বছৰ | ৪৫-৬০ বছৰ | ৬০ বছৰতকৈ অধিক |
|---|---|---|---|---|---|
| পুৰুষ | ৪৪ | ১০৭ | ১৬৯ | ৫৫ | ৩০ |
| মহিলা | ৩৪ | ৯৭ | ১৫৩ | ৪৫ | ৩১ |
| মুঠ | ৭৮ | ২০৪ | ৩২২ | ১০০ | ৬১ |

## ৩.৪ শিক্ষা আৰু দক্ষতা উন্নয়ন ঃ ই ডি চিটোৰ শিক্ষাগত চিত্ৰ তলত দিয়া ধৰণৰ—

তালিকা 'চ'ত শিক্ষাগত চিত্ৰ দাঙি ধৰা হৈছে

শিক্ষাগত ৰূপৰেখা

| বয়স শ্ৰেণী | কেজি-নাৰ্ছাৰী | চতুৰ্থ শ্ৰেণীলৈ | ৫ম-৭ম | ৮ম-৯ম | ১০ম-১২শ | স্নাতক | স্নাতকোত্তৰ |
|---|---|---|---|---|---|---|---|
| ২৫ বছৰতকৈ কম | ৭৪ | ৫৭ | ৯৯ | ১৩ | ২ | ০ | ৪১ |
| ২৫ বছৰতকৈ অধিক | ৮৯ | ৭১ | ৫৪ | ৭ | ০ | ০ | ১৬৯ |
| মুঠ | ১৬৩ | ১২৮ | ১৫৩ | ২০ | ২ | ০ | ২১০ |

৬৮ শতাংশতকৈ অধিক জনসংখ্যা শিক্ষিত

জীৱন ধাৰণৰ দক্ষতা বিভিন্ন ধৰণে আহৰণ কৰিছে। অনানুষ্ঠানিক বা আনুষ্ঠানিকভাৱে। ই ডি চি অঞ্চলটোত দক্ষতা বিকাশৰ আনুষ্ঠানিক দিশটো হ'ল পৰম্পৰাগত। গাঁওবাসীৰ তলত দিয়া ক্ষেত্ৰসমূহত পৰম্পৰাগত জ্ঞান আছে —

ক) কৃষি

খ) পশুপালন

গ) মীন পালন

৩.৫ **ভূমি ব্যৱহাৰৰ ধৰণ**

মানুহবোৰ মূলতঃ কৃষি আৰু পশুপালনৰ ওপৰত নিৰ্ভৰশীল। গাঁওখনৰ ভূমিৰ ব্যৱহাৰ তলত দিয়া ধৰণৰ—
কৃষিভূমি — ৪৭.৬১ শতাংশ
গছৰে আবৃত ভূমি — ১৩ শতাংশ
বাসস্থান — ১৭.৩১ শতাংশ
জলাশয় — ২১.৬৪ শতাংশ
অন্যান্য — ০.৪৪ শতাংশ


৩.৬ **ভূমি ধাৰণৰ ধৰণ**

ভূমি ধাৰণ অনুসৰি পৰিয়ালৰ প্ৰকাৰ—
* ৫ শতাংশ পৰিয়াল ভূমিহীন
* ৯০ পৰিয়াল উপান্ত কৃষক (২ হেক্টৰতকৈ কম)
* ৫ শতাংশ ক্ষুদ্ৰ কৃষক (২-১০ হেক্টৰ)

৩.৭ **পশুধন**

পৰিয়ালসমূহে প্ৰতিপালন কৰা মূল পশুধন হৈছেঃ

| ক্ৰমিক নম্বৰ | পশুধন | সংখ্যা |
|---|---|---|
| ১ | গাইগৰু | ৪৪২ |
| ২ | বলধ | ১৫৩ |
| ৩ | ম'হ | ৭৫ |
| ৪ | হাঁহ | ৮৪ |
| ৫ | মুৰ্গী | ১০০৬ |
| ৬ | গাহৰি পোৱালি | ১১৩ |
| ৭ | গাহৰি | ১১০ |
| ৮ | ছাগলী | ১৭৫ |
| ৯ | ভেড়া | ২ |


পশুধন
গাইগৰু
বলধ
ম'হ
হাঁহ
মুৰ্গী
গাহৰি পোৱালি
গাহৰি
ছাগলী
ভেড়া

৩.৮ **গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা**

যিকোনো জনগোষ্ঠীতে সাধাৰণ আন্তঃগাঁথনিৰ উপলব্ধতাই জীৱিকাৰ বহনক্ষম উপায় বিকাশত সহায় কৰে। গাঁওখনত বৰ্তমানৰ আন্তঃগাঁথনিৰ অৱস্থা সন্তোষজনক নহয়। গাঁওখনৰ আন্তঃগাঁথনিৰ বৰ্তমানৰ অৱস্থা—

**তালিকা— চ ঃ বস্তুনিষ্ঠ আন্তঃগাঁথনি**

| ক্ৰমিক নম্বৰ | আন্তঃগাঁথনি | অৱস্থিতি (গাঁৱৰ ভিতৰত নে বাহিৰত) | সংখ্যা (যদি প্ৰযোজ্য) | গাঁৱৰ পৰা দূৰত্ব (কিলোমিটাৰত) | মন্তব্য |
|---|---|---|---|---|---|
| ১ | বাছ আস্থান | বাহিৰত | ১ | ৮ | ভাল |
| ২ | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ | বাহিৰত | ১ | ৮ | ভাল |
| ৩ | প্ৰাথমিক বিদ্যালয় | ভিতৰত | ৩ | ১ | ভাল |
| ৪ | মজলীয়া বিদ্যালয় | ভিতৰত | ১ | ১ | ভাল |
| ৫ | উচ্চ মাধ্যমিক বিদ্যালয় | বাহিৰত | ১ | ১ | ভাল |
| ৬ | উচ্চতৰ মাধ্যমিক বিদ্যালয় | বাহিৰত | ১ | ১ | ভাল |
| ৭ | মহাবিদ্যালয় | বাহিৰত | ১ | ১ | ভাল |
| ৮ | ডাকঘৰ | ভিতৰত | ১ | ৪ | |
| ৯ | বেংক | বাহিৰত | ১ | ৮ | ভাল |
| ১০ | টেলিফোন | | | | |
| ১১ | অংগনৱাড়ী কেন্দ্ৰ | ভিতৰত | ৫ | | |
| ১২ | গাঁও পঞ্চায়ত | বাহিৰত | ১ | ৩ | ভাল |
| ১৩ | ৰাজহ চক্ৰ কাৰ্যালয় | বাহিৰত | ১ | ৮ | ভাল |
| ১৪ | আৰক্ষী চকী-থানা | বাহিৰত | ১ | ৮ | ভাল |
| ১৫ | বন লাট অফিচ | বাহিৰত | ১ | ৮ | |
| ১৬ | বন আঞ্চলিক | বাহিৰত | ১ | ৪ | ভাল |
| ১৭ | বন আঞ্চলি | বাহিৰত | ১ | ৭৫ | ভাল |
| ১৮ | ৰে'ল ষ্টেচন | বাহিৰত | ১ | ১০ | ভাল |
| ১৯ | খোৱাপানীৰ উৎস | ভিতৰত | ১ | | ভাল |
| ২০ | ৰাজহুৱা সভাঘৰ | | ১ | | |
| ২১ | বিদ্যুৎ সংযোজিত ঘৰ | | | | |
| ২২ | ষ্ট্ৰীট লাইট | | | | |
| ২৩ | ট্ৰেক্টৰৰ সংখ্যা | | | | |
| ২৪ | পাৱাৰ টিলাৰৰ সংখ্যা | | ৫ | | |
| ২৫ | মন্দিৰ, গীৰ্জা, মছজিদ, নামঘৰ | ভিতৰত | নামঘৰ ৬<br>মন্দিৰ ৩ | | |
| ২৬ | জিলা মুখ্য কাৰ্যালয় | বাহিৰত | গোলাঘাট | ৭৫ | |
| ২৭ | গাড়ীৰ সংখ্যা (কাৰ-ট্ৰাক) | | | | |
| ২৮ | জে চি বিৰ সংখ্যা | | | | |
| ২৯ | নিকট্ৱৰ্তী বজাৰ | বাহিৰত | বোকাখাত | ৮ | |

ওপৰৰ তালিকাৰ পৰা গাঁৱৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত তলৰ তথ্যখিনি লাভ কৰিব পাৰি—

**বস্তুনিষ্ঠ আন্তঃগাঁথনি ঃ** অঞ্চলটোৰ জনসাধাৰণে মৌলিক বাস্তৱিক আন্তঃগাঁথনি যেনে প্ৰয়োজনীয় ৰাস্তা, খোৱাপানী, মোবাইল নেটৱৰ্ক আদিৰ পৰা বঞ্চিত হৈ আহিছে।

**শিক্ষা আৰু স্বাস্থ্য সুবিধা ঃ** শিক্ষা আৰু স্বাস্থ্য সুবিধা অতি দুখজনক। ৰাজহুৱা পৰিবহণ ব্যৱস্থাৰ অভাৱ, অঞ্চলটোৰ লোকসকলে যাতায়াতৰ বাবে চাইকেল ব্যৱহাৰ কৰে।

**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয় যেনে আৰক্ষীচকী, গাঁও পঞ্চায়ত কাৰ্যালয়, ৰাজহ চক্ৰ, বন লাট কাৰ্যালয় আদিৰ দূৰত্ব বেছি নহয়।

**বিত্তীয় অনুষ্ঠান ঃ** বিত্তীয় প্ৰতিষ্ঠান যেনে বেংক আৰু ডাকঘৰ গাঁওখনৰ পৰা যথেষ্ট দূৰত্বত অৱস্থিত আৰু যোগাযোগৰ সমস্যাৰ সৃষ্টি হৈ আহিছে।

## ৩.৯ কৃষি/শস্য

অঞ্চলটোত মূলতঃ শালিধান, সৰিয়হ, মাহজাতীয়, পাচলি যেনে আলু, ভোট জলকীয়া আদি শস্যৰ খেতি কৰা হয়।

শস্যৰ উৎপাদন আৰু উৎপাদনৰ হাৰ এনেধৰণৰ ঃ

(ক) শালিধান ঃ উৎপাদন ঃ ২৪০০ কুইণ্টল; উৎপাদনৰ হাৰ ঃ ৩০০০ কিলোগ্ৰাম প্ৰতি হেক্টৰ

(খ) সৰিয়হ ঃ উৎপাদন ঃ ৩২০ কুইণ্টল; উৎপাদনৰ হাৰ ঃ ৬০০০ কিলোগ্ৰাম প্ৰতি হেক্টৰ

(গ) মাহজাতীয় শস্য ঃ উৎপাদন ঃ ৪০০ কুইণ্টল; উৎপাদনৰ হাৰ ঃ ৭৫০০ কিলোগ্ৰাম প্ৰতি হেক্টৰ

## ৩.১০ পশুখাদ্য

গাঁওখনৰ অধিকাংশ লোক ধানখেতিত নিয়োজিত। শস্যৰ উৎপাদন আৰু উৎপাদনৰ হাৰ তলত উল্লেখ কৰা হৈছে।

ক) স্থানীয় অঞ্চল

খ) বাৰী-বস্তি

গ) শস্যৰ মল

### ৩.১১ বজাৰ

জনগোষ্ঠীসমূহে সঘনাই অহা-যোৱা কৰা বজাৰসমূহ—

ক) গেলামাল/সুলভ মূল্যৰ দোকান ঃ ধোবাআটী বেলুগুৰি ই ডি চি

খ) সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ ঃ ১৫ কিলোমিটাৰ দূৰত্বত ছাপজুৰীয়াত

গ) প্ৰধান বজাৰ ঃ ৮ কিলোমিটাৰ দূৰত্বত বোকাখাত

### ৩.১২ পানীৰ উৎস

পানীৰ প্ৰধান উৎসসমূহ হৈছে—

ক) দমকল ঃ ১৬০টা ( উপলব্ধতা ঃ বাৰমহীয়া)

খ) হস্তপাম্প ঃ ১০টা ( উপলব্ধতা ঃ বাৰমহীয়া)

### ৩.১৩ শক্তিৰ ব্যৱহাৰ

গাঁৱৰ শক্তিৰ মূল উৎসসমূহ হৈছে—

ক) কাঠখৰি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ২০০টা (উৎস ঃ বনাঞ্চল আৰু বাৰী-বস্তি)

খ) কেৰাচিন ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ২০০টা (উৎস ঃ বিতৰক)

গ) ৰন্ধন গেছ ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ১২টা (উৎস ঃ গেছ এজেন্সী)

### ৩.১৪ আৰ্থ-সামাজিক স্থিতি

**সামাজিক গাঁথনি ঃ** গাঁওখনত মিচিং আৰু আদিবাসী সম্প্ৰদায়ৰ লোকে বাস কৰে। তেওঁলোকৰ জাতিগত ব্যৱস্থা আছে। সমাজখনত সামাজিক বিভাজন আছে। মহিলাৰ স্থান সন্তোষজনক নহয়।

**অৰ্থনৈতিক অৱস্থা ঃ** অৰ্থনৈতিক অৱস্থা সন্তোষজনক নহয়। মূল জীৱিকাৰ উপায় হৈছে কৃষি। অধিকাংশ পৰিয়ালৰ বাৰ্ষিক উপাৰ্জন ২৮,০০০-৯০,০০০ টকা। অতিৰিক্ত বিৱৰণ পৰৱৰ্তী অধ্যায়ত দাঙি ধৰা হৈছে।

## ৪।  জীৱিকা সম্পদৰ সবিশেষ আৰু দুৰ্বলতা প্ৰসংগ

গাঁৱৰ জীৱিকা সম্পদ আৰু এইবোৰৰ সাম্প্ৰতিক অৱস্থা সন্দৰ্ভত ইয়াত আলোচনা কৰা হৈছে। দুৰ্বলতা প্ৰসংগতো ইয়াত বিশ্লেষণ কৰা হৈছে।

### ৪.১  জীৱিকা সম্পদৰ বিশ্লেষণ

নিৰ্বাহক্ষম জীৱিকা ফ্ৰেমৱৰ্ক (এছ এল এফ) মতে, এখন গাঁৱত জীৱিকাৰ বিকাশৰ বাবে দৰকাৰী পাঁচটা সৰ্বাধিক গুৰুত্বপূৰ্ণ জীৱিকা সম্পদ হৈছে মানৱ সম্পদ, আৰ্থিক সম্পদ, সামাজিক সম্পদ, প্ৰাকৃতিক সম্পদ আৰু বস্তুনিষ্ঠ সম্পদ। এই পাঁচটা সম্পদৰ স্থিতি তলত আলোচনা কৰা হ'ল—

**মানৱ সম্পদ ঃ**

এটা অঞ্চলৰ মানৱ সম্পদ শিক্ষা, বৃত্তি আৰু দক্ষতাৰ বিশ্লেষণৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ কৰা হয়। ধোবাআটী বেলুগুৰিৰ সাক্ষৰতা হাৰ হৈছে ৬৮ শতাংশ, অৰ্থাৎ শিক্ষিতৰ হাৰ যথেষ্ট উচ্চ। দক্ষতাৰ ফালৰ পৰা গাঁওবাসী বয়ন, চিলাই, বাঁহ আৰু বেতৰ শিল্প, কাঠমিস্ত্ৰী আদিত জড়িত। সঠিক দক্ষতা বিকাশ আৰু বজাৰৰ যোগসূত্ৰৰ সজাগতাৰ জৰিয়তে এই দক্ষতাসমূহ উপাৰ্জন সৃষ্টিৰ উৎসলৈ পৰিণত কৰিব পাৰি। বৃত্তিগতভাৱে অঞ্চলটোৰ লোকসকল দৈনিক হাজিৰা কাম, কৃষক আৰু দোকানী হিচাপে নিয়োজিত। গাঁওখনত কৰ্মঠ লোকৰ বয়স গোট যথেষ্ট উচ্চ। গতিকে সম্প্ৰদায়টোৰ কৰ্ম বাহিনীৰ উচ্চ সম্ভাৱনীয়তা আছে। সঠিক দক্ষ প্ৰজন্ম আৰু শিক্ষাই এই কৰ্মঠ লোকসকলে সামগ্ৰিকভাৱে অঞ্চলটোৰ অৰ্থনৈতিক বিকাশৰ দিশে লৈ যাব পাৰে। ধোবাআটী বেলুগুৰিৰ ৫৫ শতাংশ জনসংখ্যা কৰ্মী বয়সৰ। এই মানৱ সম্ভাৱনীয়তাৰ বিকাশৰ জৰিয়তে গাঁওখনৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নত কৰিব পৰা যায়।

**বাস্তৱিক সম্পদ ঃ**

বাস্তৱিক সম্পদ মানে হৈছে গাঁওখনৰ আন্তঃগাঁথনিৰ বিকাশ, যেনে পথ, পৰিবহণৰ ব্যৱস্থা, শৈক্ষিক আৰু প্ৰশাসনিক প্ৰতিষ্ঠান তথা বজাৰ। এই সুবিধাসমূহৰ অবিহনে মানুহৰ জীৱনৰ দৈনন্দিন সুবিধাসমূহৰ ভিতৰত আছে তিনিখন প্ৰাথমিক বিদ্যালয়, মজলীয়া, হাইস্কুল, উচ্চতৰ মাধ্যমিক স্কুল আৰু কলেজ গাঁওখনৰ বাহিৰত এক কিলোমিটাৰ দূৰত্বত অৱস্থিত।

প্ৰয়োজনীয় প্ৰশাসনিক সেৱা যেনে ডাকঘৰ আৰু বেংক গাঁওখনৰ পৰা ক্ৰমে চাৰি কিলোমিটাৰ আৰু আঠ কিলোমিটাৰ দূৰত্বত অৱস্থিত। গাঁওখনৰ পথসমূহৰ অৱস্থাও সন্তোষজনক নহয়। যাৰ ফলত পৰিবহণ আৰু যোগাযোগ গাঁওবাসীৰ বাবে এক গুৰুতৰ সমস্যা। গাঁওখনৰ সামগ্ৰিক বিকাশৰ বাবে বাস্তৱিক আন্তঃগাঁথনিৰ পৰিস্থিতি উন্নত কৰিব লাগিব।

**প্ৰাকৃতিক সম্পদ ঃ**

এখন গাঁৱত উপলব্ধ প্ৰাণী, উদ্ভিদ আৰু আন প্ৰাকৃতিক উপাদানকে প্ৰাকৃতিক সম্পদ হিচাপে বিবেচনা কৰা হয়। বিভিন্ন ধৰণৰ বন্যপ্ৰাণীৰ বিচৰণভূমি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সীমামূৰীয়া হোৱা বাবে প্ৰাকৃতিক সম্পদৰ গাঁওখন চহকী। ইয়াৰ ভিতৰত বিভিন্ন প্ৰজাতিৰ চৰাই যেনে ভাটৌ, মইনা, ঘৰচিৰিকা আৰু জন্তু যেনে ঃ হাতী, বাঘ, বনৰীয়া, গাহৰি, গঁড় আদি।

ইয়াত কেইবাটাও জলাশয় আছে যেনে ধোবাবিল, গণকবিল। য'ত যথেষ্ট পৰিমাণৰ স্থানীয় মাছ পোৱা যায়। গাঁওখনৰ মাটি সাৰুৱা হোৱা বাবে ইয়াত ধান, সৰিয়হ, দাইল আৰু আলু, কবি, বিলাহী আদিৰ দৰে পাচলি উৎপাদন হয়। গাঁওবাসীয়ে বস্তিত ভোট জলকীয়া আৰু আম, জাম আদি ফলৰ গছ লগায়।

**সামাজিক সম্পদ ঃ**

এখন গাঁৱত থকা ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানে সামাজিক সম্পদ চিহ্নিত কৰে। ধৰ্মীয় অনুষ্ঠানৰ ক্ষেত্ৰত গাঁওখনত ছটা মন্দিৰ আৰু তিনিটা নামঘৰ আছে। সামাজিক অনুষ্ঠানৰ ক্ষেত্ৰত গাঁওখনত আছে আত্মসহায়ক গোট। এই গোটসমূহে বিত্তীয় সাহায্য আৰু সামাজিক বান্ধোন অব্যাহত ৰখাৰ অনুষ্ঠান হিচাপে কাম কৰে।

**বিত্তীয় সম্পদ ঃ**

এটা অঞ্চলত উপলব্ধ বিত্তীয় প্ৰতিষ্ঠান আৰু উচ্চ বিত্তীয় স্বাক্ষৰতাইহে বিত্তীয় সম্পদ নিশ্চিত কৰে। ধোবাআটী বেলুগুৰিৰ পৰা আঠ কিলোমিটাৰ দূৰত্বত বেংক আৰু চাৰি কিলোমিটাৰ দূৰত্বত ডাকঘৰ অৱস্থিত। যাৰফলত বেংক আৰু ডাকঘৰলৈ

অহা-যোৱা কৰাটো গাঁওবাসীৰ বাবে এক সমস্যা। ৪০০জন লোকৰ বেংক একাউণ্ট আছে আৰু ৫০জনেহে ক্ষুদ্ৰ ঋণৰ সুবিধা গ্ৰহণ কৰিছে।

মানুহৰ অৰ্থনৈকি পৰিস্থিতি বিকাশত শক্তিশালী, বিত্তীয় সাক্ষৰতাই যথেষ্ট সহায় কৰে। গাঁওবাসীক বিভিন্ন চৰকাৰী আঁচনিৰ বিষয়ে সজাগ কৰাৰ লগতে তেওঁলোকক বিত্তীয় সাহায্য প্ৰদান কৰা উচিত।

### ৪.২ জীৱিকা সম্পদৰ পঞ্চভূজ

গাঁওখনত উপলব্ধ ৫ প্ৰকাৰৰ জীৱিকা সম্পদৰ বিশ্লেষণৰ ভিত্তিত এটা জীৱিকা-পঞ্চভূজ তৈয়াৰ কৰা হয়। জীৱিকা-পঞ্চভূজটো ভাৰসাম্যহীন আৰু উপযুক্ত জীৱিকাৰ পদক্ষেপ গ্ৰহণ কৰি ইয়াৰ দূৰত্ব কমাব পাৰি। এই বিষয়ে পৰৱৰ্তী অধ্যায়ত আলোচনা কৰা হৈছে।

### ৪.৩ দুৰ্বলতা প্ৰসংগ বিশ্লেষণ ঃ

পাঁচ জীৱিকা সম্পদত চহকী হোৱা সত্বেও এখন গাঁৱৰ দুৰ্বলতা যেনে বানপানী, বন্যজন্তুৰ উপদ্ৰৱ, ৰোগ ইত্যাদিয়ে সামগ্ৰিক বিকাশত বাধাৰ সৃষ্টি কৰে। এখন গাঁৱৰ জীৱিকা বিকাশত এইবোৰে নেতিবাচক প্ৰভাৱ পেলায়। ধোবাআটী বেলুগুৰি গাঁৱৰ ক্ষেত্ৰত বানপানী হৈছে প্ৰধান সংকট, যিয়ে প্ৰতিবছৰে দৈনন্দিন জীৱনৰ লগতে কৃষিভূমি আৰু শস্যৰ ব্যাপক ক্ষতিসাধন কৰে। একেদৰে হাতী, বনগাহৰি আৰু হৰিণাৰ দৰে জন্তুৰ উপদ্ৰৱৰ ফলত শস্যৰ ক্ষতি হয় আৰু ব্যাপক লোকচানৰ সন্মুখীন হয়। মে'ৰ পৰা আগষ্ট মাহলৈ মেলেৰিয়া, ডিচেণ্ট্ৰীৰ দৰে ঋতুগত বেমাৰেও গাঁওখনত সমস্যাৰ সৃষ্টি কৰে।

### ৪.৪ ঋতু অনুযায়ী কৃষিৰ দিনপঞ্জী

অংশগ্ৰহণমূলক পদক্ষেপৰ জৰিয়তে ঋতুগত সময়ৰ কেলেণ্ডাৰ প্ৰস্তুত কৰা হয়। গাঁওখনত ঋতুগত উৎপাদন হোৱা শস্য আৰু শংকাসমূহ ইয়াত দেখুওৱা হয়। বিভিন্ন ঋতুত বড়ো, আহু, শালিকে ধৰি প্ৰধানতঃ গাঁওখনত ধানখেতি কৰা হয়। ফেব্ৰুৱাৰী-মাৰ্চ মাহলৈ বড়োধান, মাৰ্চ-জুলাইলৈ আহু আৰু জুন-ডিচেম্বৰ মাহলৈ শালি ধানৰ খেতি কৰা হয়। ৰবি শস্য যেনে সৰিয়হ, ভোট জলকীয়া, আলু আদি ছেপ্টেম্বৰ-জানুৱাৰী মাহলৈ কৰা হয়। মাটিমাহৰ দৰে দাইলৰ খেতিও অক্টোবৰৰ পৰা জানুৱাৰী মাহলৈ কৰা হয়।

বছৰটোৰ প্ৰায় সময়তে বন্যজন্তু যেনে হাতী, হৰিণা, বনগাহৰি আদিয়ে উপদ্ৰৱ চলায়। জুন-ছেপ্টেম্বৰ মাহলৈ বানপানীয়ে শস্য আৰু কৃষিভূমি বিনষ্ট কৰে। মে'-আগষ্ট মাহলৈ কীট-পতংগই শস্যত আক্ৰমণ চলায়। জুন-ছেপ্টেম্বৰ মাহলৈ মেলেৰিয়া আৰু মাৰ্চৰ পৰা জুনলৈ ডিচেণ্ট্ৰীৰ দৰে ঋতুজনিত ৰোগৰ সংক্ৰমণ ঘটে।

ঋতু অনুযায়ী কৃষিৰ দিনপঞ্জী, ধুবাতি বেলুগুৰি ই ডি চি

<table>
<tr><th rowspan="2">বিৱৰণ</th><th colspan="12">মাহ</th></tr>
<tr><th>জানু</th><th>ফেব্রু</th><th>মার্চ</th><th>এপ্রিল</th><th>মে’</th><th>জুন</th><th>জুলাই</th><th>আগষ্ট</th><th>ছেপ্টে</th><th>অক্টো</th><th>নৱে</th><th>ডিচে</th></tr>
<tr><td rowspan="5">শস্য</td><td></td><td></td><td colspan="5">আহু ধান</td><td></td><td></td><td></td><td></td><td></td></tr>
<tr><td></td><td colspan="4">বড়ো ধান</td><td></td><td></td><td></td><td></td><td></td><td></td><td></td></tr>
<tr><td></td><td></td><td></td><td></td><td></td><td colspan="7">শালি ধান</td></tr>
<tr><td>ৰবি</td><td></td><td></td><td></td><td></td><td></td><td></td><td></td><td colspan="4">ৰবি শস্য (সৰিয়হ, পাচলি)</td></tr>
<tr><td>মচলা</td><td></td><td></td><td></td><td></td><td></td><td></td><td></td><td></td><td colspan="3">মচলা (জালুক)</td></tr>
<tr><td rowspan="3">দুর্যোগ</td><td></td><td></td><td></td><td></td><td></td><td colspan="5">বানপানী</td><td></td><td></td></tr>
<tr><td colspan="12">বন্যপ্রাণীৰ উপদ্রৱ (হাতী, হৰিণা, বনগাহৰি)</td></tr>
<tr><td></td><td></td><td></td><td></td><td colspan="5">পোকৰ আক্ৰমণ</td><td></td><td></td><td></td></tr>
<tr><td rowspan="2">ৰোগ</td><td></td><td></td><td></td><td></td><td></td><td colspan="4">মেলেৰিয়া</td><td></td><td></td><td></td></tr>
<tr><td></td><td></td><td colspan="4">ডিচেণ্ট্ৰী</td><td></td><td></td><td></td><td></td><td></td><td></td></tr>
</table>

## ৫। সাম্প্ৰতিক পৰিকল্পনা আৰু কাৰ্যসূচী

ক্ষুদ্ৰ পৰিকল্পনাত প্ৰত্যক্ষ প্ৰভাৱ পেলোৱা অন্য কিছু গুৰুত্বপূৰ্ণ পৰিকল্পনা আৰু ৰূপায়ণ পদ্ধতি আৰু প্ৰক্ৰিয়াৰ বিষয়ে ইয়াত আলোচনা কৰা হ'ব। তাৰ ভিতৰত প্ৰধান হৈছে ৰাজ্যৰ বনাঞ্চলত বন আৰু বন্যপ্ৰাণীৰ সংৰক্ষণ আৰু বহনক্ষম বিকাশৰ বাবে প্ৰস্তুত কৰা সামগ্ৰিক কাৰ্যকৰী পৰিকল্পনা। বন্যপ্ৰাণী এলেকাত এই পৰিকল্পনাক কোৱা হয় ব্যৱস্থাপনা পৰিকল্পনা আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলত ইয়াক কোৱা হয় বাঘ সংৰক্ষণ পৰিকল্পনা। তদুপৰি, অন্য কিছু আঁচনি অছে যেনে জনজাতি উপ-পৰিকল্পনা (টি এছ পি) আৰু অনুসূচিত জাতি পৰিকল্পনা (এছ চি পি), যিবোৰ বন বিভাগৰ জৰিয়তে বনগাঁওসমূহত ৰূপায়ণ কৰা হয়। অন্য কিছু বিভাগে স্বাস্থ্য, শিক্ষা, শক্তি, জলসিঞ্চন আৰু জীৱিকাৰ ব্যৱস্থা কৰে। এই বিভাগবোৰে প্ৰায়ে বনগাঁওসমূহত আঁচনি ৰূপায়ণ কৰে।

অসম যৌথ (ৰাইজৰ অংশগ্ৰহণ) বন ব্যৱস্থাপনা বিধি, ১৯৯৮ প্ৰণয়ন কৰাৰ পাছত যৌথ বন ব্যৱস্থাপনা আৰম্ভ কৰা হয় আৰু ২০০২ চনত জে এফ এম চি আৰু ই ডি চিসমূহ স্থাপন কৰা হয়। ইয়াৰ পূৰ্বে কিছু কাৰ্যকৰী পৰিকল্পনাত যৌথ বন ব্যৱস্থাপনা চক্ৰ স্থাপনৰ পৰামৰ্শ দিয়া হৈছিল। তদুপৰি, ৰাষ্ট্ৰীয় কাৰ্যকৰী পৰিকল্পনা সংকেত, ২০১৪ত ক্ষুদ্ৰ পৰিকল্পনাৰ ওপৰত জোৰ দিয়া হৈছিল আৰু ইয়াৰ বাবে সবিশেষ নীতি-নিৰ্দেশনাও প্ৰস্তুত কৰিছিল। এই ক্ষুদ্ৰ পৰিকল্পনা ৰাষ্ট্ৰীয় কাৰ্যকৰী পৰিকল্পনা সংকেতৰ আধাৰত প্ৰস্তুত কৰা হৈছে।

**পৰিৱেশ-উন্নয়ন সমিতি ঃ**

১৯৯৫-৯৬ চনত ভাৰত চৰকাৰে পঞ্চবাৰ্ষিক পাইলট প্ৰজেক্ট হিচাপে ৭টা সংৰক্ষিত অঞ্চলত যেনে বাক্সা ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল, পালামৌ ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল, ৰান্থামব'ৰ ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল, গিৰ ৰাষ্ট্ৰীয় উদ্যান, পেঞ্চ ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল, নাগৰহ'ল ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল আৰু পেৰিয়াৰ ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলত ভাৰত পাৰিপাৰ্শ্বিক উন্নয়ন প্ৰকল্প (IEDP, আই ই ডি পি) ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ উদ্দেশ্য আছিল অংশগ্ৰহণমূলক সংৰক্ষণ মডেলৰ কাৰ্যকৰিতা পৰীক্ষা কৰা। আই ই ডি পিয়ে পৰিৱেশ উন্নয়নক স্থানীয় মানুহৰ ওপৰত সংৰক্ষিত এলেকাৰ প্ৰভাৱ আৰু সংৰক্ষিত এলেকাৰ ওপৰত স্থানীয় মানুহৰ প্ৰভাৱ বিবেচনা কৰি জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ লক্ষ্য হিচাপে লোৱাত গুৰুত্ব দিছিল। মুঠতে আই ই ডি পি ভাৰতত এটা অন্যতম গুৰুত্বপূৰ্ণ প্ৰকল্প। এক অভিলাষী কাৰ্যসূচী হিচাপে আৰম্ভ কৰা আই ই ডি পি ৰাইজৰ সমালোচনাৰ সন্মুখীন হয়, ৰূপায়ণত পদে পদে বাধা আহি পৰে। শেষত ইয়াৰ পৰা কিছু ব্যতিক্ৰমী ফল পোৱা যায় (ব্যাঘ্ৰ প্ৰকল্প, ভাৰত, ২০০৪)।

সম্প্ৰতি পূব অসম বন্যপ্ৰাণী সংমণ্ডল এফ ডি এৰ অধীনত ৩৩টা পঞ্জীকৃত ই ডি চি আৰু নগাঁও বন্যপ্ৰাণী সংমণ্ডল এফ ডি এৰ অধীনত ২৮টা পঞ্জীকৃত ই ডি চি আছে। তদুপৰি, পূব অসম বন্যপ্ৰাণী সংমণ্ডল এফ ডি এ আৰু নগাঁও বন্যপ্ৰাণী সংমণ্ডল এফ ডি এত ক্ৰমে ৪০টা আৰু ১০টা ই ডি চি স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দক্ষিণ আৰু উত্তৰ দিশৰ সীমামূৰীয়া সকলো গাঁৱতে পৰিৱেশ-উন্নয়ন সমিতি স্থাপন কৰা হ'ব। অৱশিষ্ট ই ডি চিসমূহ পঞ্জীভুক্ত হোৱাৰ পাছত সকলো ই ডি চিৰ প্ৰতিনিধিক লৈ এটা মহাসংঘ (কনফেডাৰেচন) তৈয়াৰ কৰা হ'ব। প্ৰতিখন গাঁৱত ভিন্ন আয় আহৰণৰ বাবে আত্মসহায়ক গোট খোলা হ'ব। সীমামূৰীয়া গাঁৱৰ বিদ্যালয়ত থকা নেচনেল গ্ৰীণ ক'ৰ্প্ছৰ অধীনস্থ বৰ্তমানৰ ইক'-ক্লাববোৰ প্ৰকৃতি সংঘলৈ পৰ্যৱশিত কৰা হ'ব। য'ত ইক'-ক্লাব নাই তাত নতুনকৈ স্থাপন কৰা হ'ব। পৰিৱেশ আৰু ইয়াৰ গুৰুত্বৰ ওপৰত মানুহক শিক্ষা দিবলৈ স্বতন্ত্ৰভাৱে গঠিত প্ৰতিষ্ঠান আৰু সংগঠনবোৰকো প্ৰকৃতি সংঘত অন্তৰ্ভুক্ত কৰা হ'ব।

**গ্ৰাম্য ক্ষুদ্ৰ পৰিকল্পনাৰ জৰিয়তে জীৱিকা সহায়ক পদক্ষেপ ঃ**

বনাঞ্চলৰ সীমামূৰীয়া গাঁও আৰু বনগাঁওসমূহত স্থানীয় এন জি অ' আৰু প্ৰতিষ্ঠানৰ সহায়ত কাৰ্যকৰী পি আৰ এ অনুশীলন আৰু আৰ্থ-সামাজিক জৰীপ কৰা হয় যাতে গাঁওবোৰৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা কৰিব পৰা যায়। ক্ষুদ্ৰ পৰিকল্পনাৰ সহায়ত আয় উদ্ভাৱন কাৰ্যসূচী (আই জি এ)ৰ জৰিয়তে গাঁওবাসীৰ জীৱিকাত সমৰ্থন আগবঢ়োৱা হয়।

তলত উল্লিখিত উদ্দেশ্যৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিৱেশ-উন্নয়ন কাৰ্যসূচী গ্ৰহণ কৰা হয়—

— কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ আৰু ৰাইজৰ মাজত এটা মধুৰ সম্পৰ্ক গঢ়ি তোলা। ই চোৰাং চিকাৰী আৰু দুৰ্বৃত্তক প্ৰতিহত কৰাত থকা বাধা দূৰ কৰিব।

— উদ্যানখনৰ সম্পদ সংৰক্ষণ আৰু উদ্যানৰ উদ্দেশ্য সিদ্ধি হোৱাত স্থানীয় ৰাইজৰ সহযোগিতা লাভ কৰাৰ বাবে সংৰক্ষিত এলেকা ব্যৱস্থাপনাৰ দক্ষতা বৃদ্ধি কৰা।

— কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাবে কাৰ্যকৰী অংশগ্ৰহণমূলক সংৰক্ষণ মডেল প্ৰস্তুতেৰে পৰিৱেশ উন্নয়নত কাৰ্যকৰী আৰু সৰ্বাংগীণ সহায় আগবঢ়োৱা।

পৰিৱেশ-উন্নয়ন কাৰ্যসূচীৰ জৰিয়তে নিৰ্দিষ্ট বিষয়ৰ সমস্যা সমাধান—

১) বিকল্প জীৱিকা কৌশল

২) জীৱন ধাৰণৰ মান উন্নয়ন

৩) মানুহ-বন্যপ্ৰাণীৰ সংঘাত দূৰীকৰণ

৪) জনগোষ্ঠীৰ উন্নয়নমূলক কাম

৫) পৰিৱেশ-পৰ্যটনৰ সহায়ত সংৰক্ষিত এলেকাৰ সম্পদ নষ্ট নকৰাকৈ ব্যৱহাৰ

৬) বনজ সম্পদৰ ওপৰত গাঁওবাসীৰ নিৰ্ভৰশীলতা

৭) বনজ সম্পদৰ বহনক্ষম ব্যৱহাৰ

পৰিৱেশ-উন্নয়ন কাৰ্যসূচী কাৰ্যকৰীকৰণৰ বিস্তৃত কৌশল—

১) অংশগ্ৰহণকাৰী ক্ষুদ্ৰ পৰিকল্পনা প্ৰস্তুত আৰু পৰিৱেশ-উন্নয়নৰ বাবে ৰূপায়ণ খৰচৰ ব্যৱস্থা কৰা।

২) গাঁও পৰিৱেশ-উন্নয়ন কাৰ্যসূচীলৈ সহায় আগবঢ়োৱা, যাৰ জৰিয়তে উদ্যান কৰ্তৃপক্ষৰ সংৰক্ষণ পদক্ষেপত গাঁওবাসীয়ে উল্লেখনীয় ব্যৱস্থা গ্ৰহণ কৰিব।

৩) পৰিৱেশ-উন্নয়ন পদক্ষেপবোৰ ৰূপায়ণ কৰা, যিয়ে সংৰক্ষিত এলেকাৰ সংৰক্ষণ আৰু সুৰক্ষা, বিকল্প জীৱিকা আৰু সম্পদ ব্যৱহাৰত উৎসাহিত কৰে।

অন্যান্য পদক্ষেপবোৰ—

* গাঁও ক্ষুদ্ৰ পৰিকল্পনাৰ জৰিয়তে জীৱিকা সমৰ্থন পদক্ষেপ

* **ই ডি চি জীৱিকা সমৰ্থন পদক্ষেপ ঃ**

* মানুহ-বন্যপ্ৰাণীৰ সংঘাত নিৰ্মূল

* গাঁও উন্নয়ন কাৰ্যসূচী ঃ

  — প্ৰাৰম্ভিক কাৰ্যসূচী (ই পি এ)

  — আয় উদ্ভাৱন কাৰ্যসূচী (আই জি এ)

* মানৱ সম্পদ উন্নয়ন/দক্ষতা সৃষ্টি পৰিকল্পনা

* পৰিৱেশ পৰ্যটন কাৰ্যসূচী

**নিৰীক্ষণ আৰু মূল্যায়ন**

***ই ডি চিৰ পৰা আশা কৰা প্ৰতিশ্ৰুতি ঃ***

১) বেদখল, অবৈধ বনজুই, অবৈধভাৱে গছকটা, অবৈধভাৱে কাঠ ভিন্ন বনজ সম্পদ আহৰণ আদিৰ ফলত বন্যপ্ৰাণীৰ আবাসভূমি নষ্ট নকৰা।

২) সংৰক্ষিত এলেকাত চোৰাং চিকাৰ বা অবৈধ গছকটা বন্ধ কৰা।

৩) অপৰাধ ৰোধ আৰু অপৰাধীক প্ৰতিহত কৰা আৰু তদন্তৰ বাবে চোৰাংচোৰাগিৰি, তথ্য যোগান আৰু অন্যান্য সহায়।

৪) গাঁৱত থকা সকলো মাৰণাস্ত্ৰ পঞ্জীয়নৰ ব্যৱস্থা কৰা।

৫) গাঁৱৰ পশুধনক ১০০ শতাংশ প্ৰতিষেধক দিয়াৰ ব্যৱস্থা কৰা।

৬) বন্যপ্ৰাণীৰ আবাসভূমিৰ ক্ষতি নকৰাকৈ পৰিৱেশ পৰ্যটনত অংশগ্ৰহণ কৰা।

৭) সংৰক্ষিত এলেকাৰ কৰ্তৃপক্ষৰ সৈতে সুহৃদ সম্পৰ্ক বৰ্তাই ৰখা।

**ক্ষুদ্ৰ পৰিকল্পনা ৰূপায়ণ কৌশল ঃ** সংৰক্ষিত এলেকাৰ ব্যক্তি, এন জি অ' আৰু গাঁওবাসীক লৈ গঠিত ক্ষুদ্ৰ পৰিকল্পনা সমৰ্থক দলে ধাৰাবাহিকভাৱে ক্ষুদ্ৰ পৰিকল্পনা ৰূপায়ণ আৰু বিকাশত গাঁওবাসীক সহায় কৰে। উদ্দেশ্যত উপনীত হ'বৰ বাবে ক্ষুদ্ৰ পৰিকল্পনাই নীতি-নিৰ্দেশনা, বিনিয়োগ নীতি, প্ৰশিক্ষণ কাৰ্যসূচী আদি সকলো বিষয়ক সামৰি ল'ব লাগে। সংৰক্ষিত বনাঞ্চলৰ মূল এলেকাৰ সীমামূৰীয়া গাঁৱত যৌথ বন ব্যৱস্থাপনা সমিতি শক্তিশালী কৰিব লাগে। অন্য বিভাগৰ সহায়ত বনাঞ্চলৰ সীমামূৰীয়া গাঁৱত গ্ৰামোন্নয়নৰ কাম হাতত ল'ব লাগে। পৰিৱেশ-উন্নয়ন কাৰ্যৰ নিৰীক্ষণ আৰু মূল্যায়ন ৰূপায়ণ কৰা এজেন্সীটোৱে নকৰি অন্য এজেন্সীয়ে কৰিব লাগে। স্থানীয় এন জি অ', প্ৰতিষ্ঠান, বিশ্ববিদ্যালয়ক চলি থকা কামৰ মূল্যয়নৰ দায়িত্ব দিব পাৰে। সকলো পৰিৱেশ-উন্নয়ন কাৰ্যসূচীৰ নিজস্ব নিৰীক্ষণ আৰু মূল্যায়ন পদ্ধতি থাকিব লাগে, যাতে সময়মতে পদক্ষেপ গ্ৰহণ কৰি কামৰ অগ্ৰগতিক নিৰ্দিষ্ট দিশত নিব পাৰে।

## ৫.৩ অতীতৰ বন উন্নয়ন পদক্ষেপ

## ৫.৪ অন্য বিভাগৰ আঁচনি

# ধোবাআটী বেলুগুৰি পৰিৱেশ-উন্নয়ন সমিতি
## কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, পূব অসম বন্যপ্ৰাণী সংমণ্ডল
## বোকাখাত

## ক্ষুদ্ৰ পৰিকল্পনা
## (২০১৬-১৭ৰ পৰা ২০২৬-২৭ লৈ)

## অধ্যায় - দুই

## ৬। ক্ষুদ্ৰ পৰিকল্পনাৰ উদ্দেশ্য, সবলতা, দুৰ্বলতা, সুযোগ আৰু শংকা (SWOT) আৰু ব্যৱধান বিশ্লেষণ

### ৬.১ ক্ষুদ্ৰ পৰিকল্পনাৰ উদ্দেশ্য

এখন গাঁও পৰ্যায়ৰ ক্ষুদ্ৰ পৰিকল্পনা হৈছে গাঁও উন্নয়ন পৰিকল্পনা আৰু বনাঞ্চল উন্নয়ন পৰিকল্পনা, যি প্ৰয়োজন নিৰ্ভৰ আৰু স্থানভিত্তিক উপলব্ধ সম্পদৰ লগত খাপখোৱা। যিহেতু পৰিকল্পনাৰ গোটটো সৰু, সেয়ে ইয়াক ক্ষুদ্ৰ পৰিকল্পনা কোৱা হয়। ক্ষুদ্ৰ পৰিকল্পনাই দুটা উদ্দেশ্য পূৰণ কৰাৰ চেষ্টা কৰে—

১) জীৱিকা উন্নত কৰা

২) জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰৰ সমতা ৰক্ষা কৰা

ভাৰত চৰকাৰে আৰম্ভ কৰা যৌথ বন ব্যৱস্থাপনা ব্যৱস্থাৰ এৰিব নোৱাৰা অংশ হৈ পৰিছে ক্ষুদ্ৰ পৰিকল্পনা। এইক্ষেত্ৰত ক্ষুদ্ৰ পৰিকল্পনা হৈছে জনসমষ্টিৰ সক্ৰিয় অংশগ্ৰহণত প্ৰস্তুত এক সাধাৰণ নথি। এনে ক্ষুদ্ৰ পৰিকল্পনাৰ একক হৈছে জনগোষ্ঠী (গাঁও)। এই নথিৰ লক্ষ্য হৈছে স্থানীয় বনজ সম্পদৰ সৈতে স্থানীয় প্ৰয়োজন আৰু বন বিভাগৰ কাৰ্যসূচীৰ সংযোগ কৰা। জে এফ এম নিৰ্দেশনা, ২০০০ৰ মতে, বন বিষয়া আৰু জে এফ এম চিয়ে গাঁৱত পি আৰ এ অনুশীলন কৰাৰ পিছত এখন ক্ষুদ্ৰ পৰিকল্পনা প্ৰস্তুত কৰিব লাগে। জে এফ এম চি/ই ডি চিৰ ক্ষুদ্ৰ পৰিকল্পনা এক কৰি বন বিভাগৰ কাৰ্যকৰী পৰিকল্পনা প্ৰস্তুত কৰিব লাগে।

বৰ্তমানৰ ক্ষুদ্ৰ পৰিকল্পনা পুৰুষ আৰু মহিলাকে ধৰি জনগোষ্ঠীৰ সকলো সদস্যই লগ হৈ প্ৰস্তুত কৰিছে। এই নথি ২০১৬ চনৰ মে' মাহত জনগোষ্ঠী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন)ৰ সদস্যৰ দ্বাৰা কৰা অংশগ্ৰহণমূলক গ্ৰাম্য মূল্যাংকন (পি আৰ এ)ৰ ফলাফল।

তাৰপাছত লোৱা বিভিন্ন পদক্ষেপবোৰ তলত সংক্ষিপ্তভাৱে উল্লেখ কৰা হ'ল—

ক) ২০১৭ চনৰ মাৰ্চ মাহত জনসমষ্টিৰ বৈঠক অনুষ্ঠিত কৰা হয়। প্ৰকল্পৰ উদ্দেশ্য সন্দৰ্ভত আলোচনা আৰু জনসমষ্টিৰ প্ৰয়োজনীয় তথ্য যোগাৰ কৰিবৰ বাবে এই বৈঠক অনুষ্ঠিত কৰা হয়।

খ) জনসমষ্টিৰ সবিশেষ তথ্য আৰু ইয়াৰ পূৰ্বসূত্ৰ উপলব্ধ আৰ্হিৰ পৰা সংগ্ৰহ কৰা।

গ) তাৰপাছত জনসমষ্টিৰে হোৱা বৈঠকত সংগ্ৰহ কৰা তথ্যৰ শুদ্ধতা পৰীক্ষা কৰা হয়।

ঘ) জনসমষ্টিৰ অংশগ্ৰহণ আৰু প্ৰতিক্ৰিয়া অনুসৰি কাৰ্যকৰী পৰিকল্পনা প্ৰস্তুত কৰা।

ঙ) প্ৰকল্পৰ নিৰ্দেশনাৰ ভিত্তিত আৰ জি ভি এনে ক্ষুদ্ৰ পৰিকল্পনা সংকলন কৰিছে। নথিখিনি ২০১৭ৰ এপ্ৰিলত উপস্থাপন কৰিব পৰাকৈ আলোচনা আৰু চূড়ান্ত কৰা হৈছে।

## ৬.২ প্ৰয়োজন পুনৰীক্ষণ আৰু ব্যৱধান বিশ্লেষণ

সম্পদ পুনৰীক্ষণ, দক্ষতা পুনৰীক্ষণ, জীৱিকা সম্পদ মেপিং আৰু দুৰ্বলতা পুনৰীক্ষণৰ ভিত্তিত উদ্দেশ্যধৰ্মী গোট আলোচনা, পি আৰ এ অনুশীলন, গাঁও পৰ্যায়ৰ আৰু পৰিয়াল পৰ্যায়ৰ জৰীপৰ জৰিয়তে প্ৰয়োজন পুনৰীক্ষণ, ব্যৱধান বিশ্লেষণ আৰু সবলতা, দুৰ্বলতা, সুযোগ আৰু শংকা বিশ্লেষণ কৰা হয়। এই বিশ্লেষণৰ ভিত্তিত কাৰ্যকৰী পৰিকল্পনা, জীৱিকা, গাঁও উন্নয়ন কৌশল আৰু বন উন্নয়ন পৰিকল্পনা ই ডি চিৰ কাৰণে প্ৰস্তুত কৰা হয়।

**প্ৰশিক্ষণ প্ৰয়োজন পুনৰীক্ষণ**

**ক) দক্ষতা গঠন ঃ** বন আৰু জৈৱ-বৈচিত্ৰ্য, বহনক্ষম বিকাশ, জলবায়ু পৰিৱৰ্তন, লিংগ বিষয়, বিত্তীয় অন্তৰ্ভুক্তিকৰণ, ভূমি আৰু পানী সংৰক্ষণ, বানৰ ব্যৱস্থাপনা সন্দৰ্ভত নিয়মীয়া সজাগতা কাৰ্যসূচীৰ জৰিয়তে জনসমষ্টিৰ দক্ষতা বিকাশ কৰা হয়। গাঁও উন্নয়নৰ বাবে কৰা কাৰ্যকৰী পৰিকল্পনাত তেনে এক পদ্ধতিৰ প্ৰস্তাৱ কৰা হৈছে।

**খ) দক্ষতা উন্নয়ন ঃ** জীৱিকা উন্নয়নৰ বাবে কাৰ্যকৰী পৰিকল্পনাত দিয়া প্ৰস্তাৱমতে জীৱিকাৰ মান উন্নয়নৰ বাবে জীৱিকাৰ দক্ষতাৰ নিয়মীয়া পুনৰীক্ষণ আৰু যন্ত্ৰপাতি ব্যৱহাৰৰ বিশেষ প্ৰশিক্ষণ নিয়মীয়াকৈ দিব লাগে।

**ব্যৱধান বিশ্লেষণ ঃ**

প্ৰলয়ংকৰী বানৰ সময়ত সম্প্ৰদায়টোৰ সদস্যই অন্য স্থানত আশ্ৰয়গ্ৰহণ কৰিছে। বিশেষকৈ বোকাখাতৰ দৰে সমীপৱৰ্তী এলেকাত এই লোকসকলে আশ্ৰয় লৈছে।

ক) পথৰ শোচনীয় অৱস্থাই যোগাযোগ আৰু পৰিবহণ ব্যৱস্থাত প্ৰভাৱ পেলাইছে।

খ) মুকলিত শৌচ কৰাকে ধৰি দুখজনক অনাময় ব্যৱস্থাৰ বাবে নানান স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰিছে।

গ) উপাৰ্জন সৃষ্টিকাৰী কামত কম পৰিমাণে নিয়োজিত হৈ থকাৰ জীৱন ধাৰণৰ মান নিম্নস্তৰৰ।

## ৬.৩ সবলতা, দুৰ্বলতা, সুযোগ আৰু শংকা (SWOT) বিশ্লেষণ

জনসমষ্টিৰ পুৰুষ আৰু মহিলা সদস্যৰ অংশগ্ৰহণেৰে অংশগ্ৰহণমূলক দৃষ্টিভংগীৰে এছ ডব্লিউ অ' টি বিশ্লেষণ কৰা হৈছে।

**সবলতা**

১) অতি সাৰুৱা কৃষিভূমিয়ে উৎপাদন বৃদ্ধিত সহায় কৰিছে।

২) পশুপালনত পৰম্পৰাগত দক্ষতা

৩) পৰম্পৰাগত কৃষিৰ জ্ঞান

৪) বানপানীৰ সময়ত আশ্ৰয়গ্ৰহণ কৰিব পৰা গাঁওখনৰ চাংঘৰ।

**দুৰ্বলতা**

১) বৰ্তমান অৰ্থনৈতিক অৱস্থাৰ বিকাশ কৰাৰ ক্ষেত্ৰত কাম কৰিবলৈ আগ্ৰহৰ অভাৱ।

২) পৰম্পৰাগত দক্ষতাৰ ক্ষেত্ৰত শ্ৰমিকসকলৰ সম্ভাৱনীয়তা চিনাক্তকৰণ নকৰা।

৩) পুৰুষসকলৰ মাজত সুৰাৰ প্ৰতি আসক্তি।

**সুযোগ**

১)	সামগ্রিক উৎপাদন প্রক্রিয়াৰ উন্নীতকৰণৰ বাবে আধুনিক প্ৰযুক্তি আৰু জ্ঞানৰ ব্যৱস্থা।

২)	বজাৰযোগ্যতা বৃদ্ধিৰ বাবে বড়ো আৰু শালিধানৰ উন্নীতকৰণ।

৩)	উপাৰ্জনৰ উৎস হিচাপে পৰিৱেশ পৰ্যটনক উৎসাহিত কৰা।

৪)	ডিজাইনযুক্ত আৰু বজাৰ যোগসূত্ৰৰে বয়নৰ সম্প্ৰসাৰণ

৫)	মৎস্য পালনৰ উন্নীতকৰণৰ সম্ভাৱনা।

**শংকা**

১)	শস্য বিনষ্ট কৰা বন্যজন্তুৰ উপদ্ৰৱ

২)	প্ৰলয়কংৰী বানপানীৰ ফলত অঞ্চলটোৰ লোকে আন স্থানত আশ্ৰয়গ্ৰহণ কৰিবলগীয়া হয় আৰু সম্পত্তি নষ্ট কৰে।

৩)	জীৱিকাৰ সন্ধানত অদক্ষ বনুৱা হিচাপে গাঁৱৰ যুৱকসকলৰ আন স্থানলৈ প্ৰব্ৰজন।

## ৬.৪ অংশগ্ৰহণমূলক গ্ৰাম্য মূল্যাংকন (PRA) অনুশীলন

গুৱাহাটীৰ আৰ জি ভি এনৰ দলে বৰভেটা গাঁৱত পি আৰ এ অনুশীলন কৰে। তাৰ বিৱৰণ এনেধৰণৰ ঃ

**তাৰিখ ঃ** ০৫-০৪-২০১৭

**স্থান ঃ** ধুবাতি বেলুগুৰি ই ডি চি

**উপস্থিতিৰ সংখ্যা ঃ** ৩৫

**উপস্থিতি ঃ** ই ডি চি কাৰ্যালয় সহায়ক, গাঁওবুঢ়া, ৰাইজ, বন বিভাগৰ লোক

**পৰিশিষ্ট VII (ক)ৰ পৰা VIII (ঘ) লৈ পি আৰ এৰ মানচিত্ৰ দিয়া হৈছে।**

অংশগ্ৰহণমূলক মেপিং কৰাৰ আগতে সজাগতা আৰু দিক্‌দৰ্শন কাৰ্যসূচী গাঁও পৰ্যায়ত কৰা হয়। সজাগতা আৰু দিক্‌দৰ্শন কাৰ্যসূচীৰ সময়ত সামৰি লোৱা বিষয়সমূহ—

১)	অংশগ্ৰহণমূলক পৰিকল্পনা

২)	অংশগ্ৰহণমূলক উপায় আৰু পদ্ধতি

৩)	ক্ষুদ্ৰ পৰিকল্পনাৰ গুৰুত্ব আৰু ই ডি চি/ জে এফ এম চিৰ ভূমিকা

৪)	পৰিৱেশ সম্পৰ্কীয় বিষয়

৫)	জলবায়ু পৰিৱৰ্তন আৰু জলবায়ু ভিন্নতা

৬)	পৰিৱেশতান্ত্ৰিক ভাৰসাম্য আৰু পৰিৱেশতন্ত্ৰৰ ব্যৱস্থাপনা (পৰম্পৰাগত আৰু বিজ্ঞানসন্মত)

৭)	বহনক্ষম জীৱিকা ফ্ৰেমৱৰ্ক

৮)	জীৱিকা সম্পদ-পঞ্চভূজ আৰু সামাজিক সম্পদৰ গুৰুত্ব

৯)	ক্লাষ্টাৰ আৰু আত্মসহায়ক গোট গঠন, বিত্তীয় অন্তৰ্ভুক্তিকৰণ

১০)	বিপণন আৰু মূল্য সংযোজন

১১)	উন্নয়ন কাৰ্যসূচী আৰু পৰিৱেশ আৰু পৰিৱেশতান্ত্ৰিক ভাৰসাম্যতাৰ সৈতে ইয়াৰ সম্পৰ্ক

১২)   লিংগ সম্পৰ্কীয় বিষয় আৰু লিংগ সমতা

**নিৰীক্ষণ ঃ** আলোচনা আৰু পি আৰ এ অনুশীলনৰ সময়ত ৰাইজে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। তাত তলত উল্লিখিত কথাবোৰ উন্মোচিত হয়—

* উপস্থিত ৰাইজে কয় যে ধন আৰু প্ৰকল্পৰ অভাৱত পূৰ্বে ই ডি চি/ জে এফ এম চিসমূহ বেছি সক্ৰিয় নাছিল।
* অতীতত ই ডি চি/ জে এফ এম চিত সজাগতা আৰু দিক্দৰ্শন কাৰ্যসূচী খুব কম আছিল।
* ক্ষুদ্ৰ পৰিকল্পনাৰ গুৰুত্ব তেওঁলোকে উপলব্ধি কৰিছে আৰু ক্ষুদ্ৰ পৰিকল্পনা প্ৰস্তুতৰ সময়ত তেওঁলোকে যথেষ্ট সমৰ্থন আৰু সহযোগ কৰিছে।
* প্ৰথমবাৰৰ বাবে এ পি বি এফ চিৰ অধীনত এন জি অ'বোৰে ৰাইজৰ সৈতে মত বিনিময় কৰে আৰু সজাগতা সৃষ্টিত দিক্দৰ্শন কৰে। এই সজাগতা আৰু দিক্দৰ্শন কেৱল প্ৰকল্পটো সন্দৰ্ভতে নহয়, বিকাশ আৰু উন্নয়নত পাৰিৱেশিক আৰু পৰিৱেশতান্ত্ৰিক বিষয় সামৰি উন্নয়নমূলক ইচ্ছু্য সন্দৰ্ভতো কৰা হয়।
* পৰিৱেশ, বন আৰু কীটনাশক, পশুধন ব্যৱস্থাপনা আদি জীৱিকা সম্পৰ্কীয় বিষয়ত ৰাইজৰ ভাল প্ৰজ্ঞা আৰু পৰম্পৰাগত জ্ঞান আছে।
* তেওঁলোকে জলবায়ু পৰিৱৰ্তনৰ ওপৰত আৰু কৃষি আৰু স্বাস্থ্যৰ ওপৰত পৰা ইয়াৰ বিৰূপ প্ৰভাৱৰ ওপৰত শংকা প্ৰকাশ কৰে।
* কাযৰীয়া বনাঞ্চল সুৰক্ষাৰে জলবায়ু পৰিৱৰ্তন ৰোধ কৰিবলৈ ৰাইজৰ আগ্ৰহ পৰিলক্ষিত হয়।

**ৰাইজৰ প্ৰয়োজন পুনৰীক্ষণ ঃ** পি আৰ এ অনুশীলন, গাঁৱৰ ৰাইজ, ই ডি চিৰ সদস্য, বনকৰ্মী আৰু সংশ্লিষ্টসকলৰ সৈতে আলোচনাৰ ভিত্তিত ই ডি চিৰ বাবে গাঁও উন্নয়ন পৰিকল্পনা আৰু জীৱিকা উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা হৈছে। মানুহৰ প্ৰয়োজন দুভাগত ভগাব পাৰি—

১)   গঠনাত্মক প্ৰয়োজন

২)   অগঠনাত্মক প্ৰয়োজন

এই পৰিৱৰ্তনবোৰ হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন প্ৰয়োজন হিচাপে ভাগ কৰিব পাৰি। ইয়াৰ প্ৰয়োজনৰ সবিশেষ গাঁও উন্নয়ন পৰিকল্পনাত দিয়া হৈছে।

মানুহৰ গঠনাত্মক প্ৰয়োজনৰ জীৱিকা উৎকৰ্যসাধনৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষ সম্পৰ্ক আছে। তাৰ ভিতৰত বাট-পথ, বিদ্যালয়, স্বাস্থ্যসেৱা, খোৱাপানী যোগান, পানী টেংক, কুঁৱা আদি আন্তঃগাঁথনি, শৌচাগাৰ নিৰ্মাণ, ৰাজহুৱা সভাগৃহ নিৰ্মাণ, প্ৰশিক্ষণ গৃহ নিৰ্মাণ, বজাৰ গৃহ নিৰ্মাণ আদি বিষয় জড়িত আছে।

অগঠনাত্মক প্ৰয়োজনৰ ভিতৰত দক্ষতা প্ৰশিক্ষণ, পশু চিকিৎসা সেৱা, স্বাস্থ্য সেৱা, ভ্ৰাম্যমাণ চিকিৎসকৰ দল, গাঁৱৰ বিদ্যালয়ত প্ৰয়োজনীয় শিক্ষক, বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ প্ৰশিক্ষণ আৰু সজাগতাৰ জৰিয়তে দক্ষতা গঢ়া, আত্মসহায়ক গোট আ ৰু ক্লাষ্টাৰ গঠন, কেঁচা সামগ্ৰীৰ ব্যৱস্থা, ই ডি চিৰ কাৰণে অহা উন্নয়নৰ ধন/ৰাজহুৱা ধন পৰিচালনা, পৰম্পৰাগত সামগ্ৰীত মূল্য সংযোজন আৰু বজাৰৰ সৈতে সংযোগকৰণ আদি অন্তৰ্ভুক্ত।

এই পৰিৱৰ্তনবোৰ হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন প্ৰয়োজন হিচাপে ভাগ কৰিব পাৰি। ইয়াৰ প্ৰয়োজনৰ সবিশেষ গাঁও উন্নয়ন পৰিকল্পনাত দিয়া হৈছে।

## ৭। গাঁও উন্নয়ন পৰিকল্পনা

হ্ৰস্বকালীন-দীৰ্ঘকালীন আৰু গঠনাত্মক-অগঠনাত্মক গাঁও উন্নয়নৰ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি গাঁওবাসী, ই ডি চিৰ সদস্য, বনকৰ্মী আৰু ই ডি চিৰ সদস্য সচিবৰ সৈতে আলোচনাৰ ভিত্তিত গাঁও উন্নয়ন প্ৰকল্প তৈয়াৰ কৰা হৈছে। সামূহিক উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহ তলত দিয়া ধৰণৰ—

১) গাঁওখনৰ অধিকাংশ লোক কৃষিজীৱী। সেয়েহে উৎপাদন বৃদ্ধি কৰিবলৈ গাঁওবাসীক আধুনিক প্ৰযুক্তিৰ সুবিধা উপলব্ধ কৰাৰ লগাব। তদুপৰি, কৃষিৰ প্ৰযুক্তিগত জ্ঞান যেনে মাটিৰ গুণাগুণ বাহাল ৰখা, বজাৰৰ যোগসূত্ৰ, নতুন সৰঞ্জাম, উচ্চ উৎপাদনক্ষম বীজ, নতুন কৃষি পদ্ধতি, বিবিধ শস্য ইত্যাদি প্ৰদান কৰিব লাগিব।

২) অঞ্চলটোত নিয়োজনৰ সুবিধা নথকাৰ বাবে যুৱকসকল কামৰ সন্ধানত আন স্থানলৈ প্ৰব্ৰজন কৰে। সেয়েহে বিকল্প জীৱিকা পদক্ষেপ বিকাশৰ বাবে বয়ন, কম্পিউটাৰ, পৰ্যটন সহায়ক প্ৰশিক্ষণ আদি দক্ষতা বিকাশ কাৰ্যসূচী গ্ৰহণ কৰিব লাগিব।

৩) গাঁওবাসীৰ মাজত অনাময় অৱস্থা অত্যন্ত শোচনীয়। মুকলিত শৌচ কৰাকে ধৰি অস্বাস্থ্যকৰ কাৰ্যৰ বাবে লোকসকলৰ স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰি আহিছে। সেয়েহে সঠিক অনাময় ব্যৱস্থা সন্দৰ্ভত সজাগতাৰ লগতে আন্তঃগাঁথনি প্ৰদান কৰিব লাগে।

